2) Assam Petro Chemical Ltd. at Namrup— 25th June, 1976.
3) Cachar Sugar Mills Ltd. — 8th March, 1977.

Assistance to Industries :

During the period 1972-75 the Corporation has revitalised the following sick Industries :-

1. Assam Conductors and Tubes Ltd. - Bamunimaidan, Gauhati.
2. Assam Glass Industries Ltd. - Kalapahar, Gauhati.
3. Chemical Unit of A. I. A. - at Chandrapur, Gauhati.

Assam Industrial Development Corporation Ltd. has given complete technical and financial assistance to North Assam Agro-Industries Co-operative Society Ltd. at Rowta, Darrang, for setting up a Rice Bran Oil Plant of 20 tons per day capacity.

The project is going to be commissioned shortly.

Assam Industrial Development Corporation has further given assistance to the following Industries :-

1. Assam Carbon Products Ltd.

2. North Eastern Hotel Pvt. Ltd.

3 Kamrup Paper Mills Ltd.

4. Eastern Steel and Alloys Ltd.

5. Assam Asbestos Ltd.

All the above units accept 4 & 5 which are under construction are running properly. The Corporation has already disbursed up to 25th January, '77, an amount of Rs. 30,39,256 as capital subsidy and transport subsidy.

Assam Industrial Devlopment Corporation has a plan to set up the following industries :-

1. Cigarette Project at Bilasipara.

2. Brewery Project at Bongaigaon.

3. Alum Plant at Chandrapur.

4. A 100 tons capacity Lime Plant at Karbi Anglong District.

The State Public Investment Board has given clearance to Assam Industrial Dev. Corpn. Ltd. for

the setting up of a Jute Mill at Dalgaon. P. I. B. is also currently appraising the feasibility of setting up a paper mill at Dhing by Assam Industrial Development Corporation.

Projects already completed by Assam Industrial Development Corporation Ltd. have so far provided employment to nearly 2,202 persons. Total capital formation from these projects has been of the order of Rs. 30.00 crores.

During the period from 1970 onwards the Corporation has trained up 81 Graduate Engineers, 144 Senior and Junior Operators and 14 of other categories. All of them have obtained gainful employment.

In addition to its normal promotional activities, A. S. I. D. C. Ltd. has also been notified as a financial institution by the Central Govt. to meet term loan requirement of medium scale entrepreneurs in the State with extended refinance facilities from the Industrial Development Bank of India.

The non-availability of Yen Credit in time and delay in sanctioning of loan from financial institutions

caused delay in the commissioning of the Assam Petro Chemicals Project. For similar reasons delay occured in the commissioning of Cachar Sugar Mills. However, both the projects were commissioned in about 26 months' time after providing training facilities and developing local expertise in technical as well as managerial fields.

Some of the contributing factors to the escalation of project cost of Assam Petro-chemicals have been Yen revalution, the expenditure incurred on infrastructure development, increased interest costs, increased margin money requirement etc. Due to these aforsaid reasons project cost for Assam Petro -Chemicals Ltd. went up to Rs. 11.75 crores from 9.00 crores.

Cachar Sugar Mills Ltd. has been completed within 5.40 crores at a most realistic cost and this includes expenditure on development of sugarcane.

As for Cigarettee factory the delay is mainly due to the market position of cigarettee in the country in the last three years and the collaborator's ( M/S Golden Tobacco Co. Ltd. ) request to go slow with the project. Moreover financial institution does not

assign any priority whatsoever for extending term loan for cigarettee manufacturing unit. Recently they have advised to start a very small capacity project to be established at Gauhati.

Regarding Soft Drink Project although a manufacturing licence on behalf of a local entrepreneur was obtained but the market survey revealed it to be not an economical one.

The Power Tiller Project had to be abandoned as the Prototype obtained from Germany was not found to be suitable for the Assam Soil and also there was not sufficient market for the Power Tiller in the State.

Regarding implementation of Jute Mill at Dalgaon, ( Mangaldoi ) it has been recently cleared by the Public Investment Board of the Govt. of Assam and is expected to be completed by the end of December, 1978, subject to availability of the reqired assistance from financial institutions.

Caustic Soda Chlorine Project is an integrated project for production of Caustic and Chlorine. This project was subsequently handed over to Ashok Paper Mills Ltd., which is running it as a captive plant.

Regarding Nylone—6 filament project a letter of intent was obtained but the Govt. of India did not issue licence to any of the States due to shortage of indigenous of raw materials i. e. caprolactom.

Between 1972-75, the Corporation completed feasibility report on 21 projects with a view to exploring establishment of such industries in the State. In some cases letter of intent were received while in other cases advance application for letter of intent were made. Whatever money has been spent for these can be considered an investment for promotion of Industries. It now for the enterpreneurs to take up these projects for implementation.

The Paper Board Project at Dhing, Nowgong Dist. for manufacture of speciality paper with an investment of about Rs. 3 crores is based on raw material-Jute which is abundantly available in the area for manufacture of kraft paper. M/S. W. S. Atkin was the first Consultant for this project but subsequently National Industrial Development Corporation submitted a proposal for a superior quality of kraft paper which can be produced, based on a new process developed by Forest Research Institute Dehradun. It was found that this proposal would be better than the earlier one and NIDC was appointed as the consultant for the project, who

had agreed to complete the project at Rs. 9.00 lakhs on a trunkey basis and allowed a rebate of Rs. 3.00 lakhs already paid to the previous consultant for the work done in design, machinery specification etc. Taking up of the project was delayed because pilot test to establish the suitability of the whole jute was not completed by NIDC and the Corporation found difficulty in raising resources. The project is now under study of public Investment Board of Govt. of Assam for final clearance.

The sick industries taken over by AIDC were under different management and were in closed conditions for more than 2-3 years. Revitalisation of these industries had to be taken when various Central Govt. Organisations were reluctant to take over these indus tries.

The difficulties involved in taking up sick industries and restore them to a healthy condition have been enormous. Assam Conductors and Tubes Ltd. remained closed for nearly two years and was taken over by AIDC in 1973. Within 3 years this industry had not only paid its liability of Rs. 54.00 lakhs but also is giving profit.

The Chemical units of Associated Industries (Assam)

Ltd. was taken over in 1976 after it had remained closed for more than three years. As such considerable modification and replacement had to be made before it could be commissioned in 1975. The difficulty faced initially in marketing coupled with non-availability of working capital from banks and the problem of obtaining resumption of power supply, after the firm had defaulted in clearing its arrear dues have now been over and the Unit is running to full capacity and there is no problem about market.

Similarly Assam Glass Industries Ltd. taken over from Assam & Meghalaya Mineral Development Corporation in 1975 had to be renovated by increasing its production capacity and switching over to a coal-fired regenerative furnace with modern equipments, like press-machine and electic lehr. The expansion has been completed and the unit is running well. The Glass furnace had to be repaired for increasing its life but it was not a fact they the new furnace has collapsed twice. This being the only industry in the whole North Eastern region and also based on indigenous raw materials there is no difficulty in market and therefore, there is no reason why it would not be profitable concern.

The Naharkatia Brick Industry belonging to Assam

Financial Corporation and was closed down for nearly three years. This was taken up at the request of A. F. C. to make an experiment whether it could be run economically, and with the understand in that during the period of the experiment loss and profit will be borne equally. This was done with the object that if it succeeds it would be a good asset to the State, this being the only mechanised brick making unit in Assam based on Natural Gass as raw fuel. Subsequently, when it was found that Oil India did not agree to reduce the gas price and it could not be economical the factory had to be closed down and restored to A. F. C.

The Corporation has decided to undertake 2 medium sized projects i. e. Lime and Alum Plant through unemployed youth under self employment scheme for the Govt. of India. The setting of the Alum Plant with a group of Engineers forming a Co-operative is at the final stage of implementation. The delay was due to various technical and locational problems that have cropped up and tieing up of required finance.

The implementation of the Lime Plant at Garampani, N. C. Hills, could not make such headway due to reluctance by the North Eastern Electric Power Commission for allowing of mining of limestone from

the near by deposits. The problem has however been overcome recently.

Certain irregularities were noticed in the purchase of machinaries for Cachar Sugar Mills. These matters are being enquired into. As regards irregularities in the purchase of Gunny bags for Cachar Sugar Mills, preliminary enpuires have started.

*Shri Dulal Chandra Barua – Mr. Deputy Speaker, Sir, we are grateful that the Minister, Industries has given details about the functioning of the industries and also the industries that are coming up under the guidance and supervision of the Assam Industrial Development Corpn. Sir, in paper only we find industries and we can boast of that we are having the real industries. But so far we know, these are existing in paper only. So, to go and verify and see things properly, I would request the hon. Minister, Industries to circulate copies of his statement so that we can go and verify whether the statement given by the Minister is correct or not. In this connection, he mentioned that there are certain allegations about the Management, especially, the Managing Director whose cases were investigated by the Anti-corruption Branch. Serious irregularities have been committed by the Managing Director, especially the Head of the organisation. The

*Speech not Corrected

Anti-corruption department recommended to the government to take action against the persons responsible for such kind of irregularities indulging in corruption. Now, what action Government has taken in this regard.

শ্ৰীপিটসিং কোঁৱৰ – যোৱা বাজেট বক্তৃতাত মুখ্যমন্ত্ৰী তথা বিত্ত মন্ত্ৰীয়ে কৈছিল যে নগাওঁত কাগজ কলৰ উত্পাদন হৈয়ে আছে। কোনটো কলৰ উৎপাদন হৈছে? ধিঙৰটোত নে জাগিৰোডৰটোত? জাগিৰোডৰ কথা মুঠেও উল্লেখ কৰা নাই। ইয়াত কাগজ ওলাইছে নে নাই একোকে উল্লেখ কৰা নাই।

*Shri Abu Hussain Mir—Sir, the Chief Minister assured the House that the project is in progress and the site at Dhing is finally selected. But in the Paper report in its caption it has shown that the government has directed to shift the project to Goalpara, and categorically, the Chief Minister denied the Paper report to a deputation by some MLAs. May I know from the Minister, Industries what view he holds regarding the permanent site of this industry ?

Shri Rabindra Kr. Goswami – Sir, the hon. Minister tried to give a rosy picture of the Assam Industrial Development Corpn.

Shri Chatrasing Teron (Minister)—Sir, I am not

* Speech not Corrected

trying to give rosy picture; rather I am trying to confront with the difficulties and also the difficulties which we are to surmount.

*Shri Robindra Kr. Goswami – Sir, I would like to ask the hon. Minister whether he has gone through the various reports made by the Estimates Committee and the Committee on Public Undertakings of this august House, wherein certain allegations have been made in these reports, and particularly I would like to know from him whether in the last report of the Estimate committee they recommended that enquiry should be made about the misuse of fund by the AIDC in Asian Fair, 1972. Secondly, in this news-item also on which this call attention motion has been given, there is an allegation that the Borad of Directors has not yet been reconstituted since 1972. This point has not been replied to by the Minister. We understand that some members of its Board of Directors out of disgust have already resigned from this Board. Thirdly, the hon. Minister said that the Assam Petrochemical Complex has already gone into production. I would like to know from him as to what is capacity already utilised and out of the installed capcity how much crude has been produced by this Complex and sold to the various Plywood industries.

শ্ৰীলক্ষীকান্ত শইকীয়া অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে নগাওঁৰ কাগজ

*Speech not Corrected

কলৰ কথা একো উল্লেখ কৰা নাই । সেই ঠাই খনৰ ফালৰ পৰা যিখিনি ক্লিৰিয়েন্স দিব লাগে সেইখিনি দিয়া হৈছে । তাৰ কাৰণে যিকেইটা ফাইনেনচিয়েল ইন্সটিটিউশ্যনে যি কাম কৰিব লাগে সেই কামো কৰি আছে । তাত ৰাজহুৱা ধনৰ সঞ্চয় কৰা হৈছে । সেই কাৰণে তাৰ ব্যৱস্থা কি কৰিব খুজিছে এইটোও লগতে কব ।

Shri Chatrasing Teron (Minister)— Sir, coming to the point raised by the hon. member from Charaibahi wherein he has stated that the industries are only in paper, I am afraid, in implementing industries certain amount of paper work is necessary and unavoidable. So, some paper work has been there. Nonetheless it is also a fact that a humble beginning has been made and some unit has gone into production. He has also referred to certain anti-corruption cases. This Anti-corruption department has enquired and its report has unfortunately not reached me. I can assure the hon. membmber that I shall look into this. I do not know if it has been initiated from the Political department. I shall ascertain and look into this and whatever action is suggested if it is justified under the circumstances naturally action would be taken. Regarding other matters, I have referred these in my statement. I do not know what the hon. member from Morigaon has said regarding production of paper. He has referred to some Assembly questions. If it is Asok Paper Mills, it had gone into production. I do not

remember the question he referred to.

শ্ৰীসোনেশ্বৰ বৰা—বাজেট বক্তৃতাৰ ৭ পৃষ্ঠাত নগাওঁত কাগজ উৎপাদন কৰি আছে বুলি কৈছে।

Shri Chatrasing Teron ( Minister ) – The hon. member from Dhing has raised the question of setting up of paper mill at Dhing. Unfortunately, when a project is considered by the P I B, it examines all aspects ; it examines the question of its location and it also examines the economics of such a elocation. It examines whether it is much more economically viable to locate it at Dhing or to any other place: it also examines such other factors. It is not the idea of the government to locate it at some place and then to shift it to another place. The main consideration of the government is to see that whereever a project is located, it must be economically viable. In the interest of location, the economical viability of a project cannot be sacrificed. Sir, regarding the observations made by the hon'ble member from Tezpur about Estimate Committee's Report on Asia '72 Fair, I have seen those reports and now all these suggestions are being processed and I cannot inform the hon'ble member at this stage as to the position of those enquiries. Regarding Dalgaon Jute Mill, hon'ble member from Kalaigaon has expressed some

doubt about the availabilty of finance and why we should depend on so many ifs and buts. Sir, while we have no money in our coffer we have to depend on financial institutions. But we have reasonable expectation that so far as the term loan is concerned that will be made available by the financial institutions As back as 27th July, 1976 the loan application had been submitted to the finacial institutions for a term loan of about two hundred lakhs of rupees and loan applicatication has already been established. Sir, a point has also been raised about the production at Namrup Petro-Chemical Complex. I quite agree with the hon'ble member that there has been great deal of initial difficulties as soon as the Petro-Chemical Complex went into stream. There were some cracks developed in the boiler which had to be repaired and for which it had to be shut down and, therefore, it has greatly effected the prouction. At present all those defects have been removed and now it has gone to stream again. But it has got some inherent problem because of the price of gas which is used as basic raw materials in manufacturing different items of prouduction in this unit. The question of gas price has been further taken up with Govt of India.

Shri Dulal Chandra Barua—Sir, I want to draw the attention of the Minister in-charge of Industries to

the Budget Speech, page 6 wherein it is stated.

"নগাৰত বিশেষ ধৰণৰ কাগজ, মৰাপাট পকোৱা কাৰখানা আৰু ডিব্ৰুগড়ত চাউল তেল ওলোৱা কাৰখানাত উৎপাদন আৰম্ভ কৰিছে।" এইটোৱে ইয়াত কি বুজাইছে ?

Shri Chatrasing Teron ( Minister ) - I am sorry, probably, there may be some mistakes. So far as Dibrugarh Rice and Oil bran Mill is concerned that has gone into production. But if it refers to small scale unit, that may be there. I shall varify it.

শ্ৰীসোণেশ্বৰ বৰা – উপাধ্যক্ষ মহোদয়, ইয়াত ওলাইছে যে 'নগাঁৱত বিশেষ ধৰণৰ কাগজ আৰু মৰপাট পকোৱা কাৰখানা আৰু ডিব্ৰুগড়ত চাউল তেল ওলোৱা কাৰখানা উৎপাদন আৰম্ভ হৈছে' - কিন্তু তাত একোৱে নাই।

Shri Chatrasing Teron ( Minister ) - That is true if it is taken straight way. There may be some mistakes, I am admitting it. But so far as Jute twine is concerned that has gone into production and Dibrugarh Oil and Rice bran Plant has also gone into production.

শ্ৰীসোণেশ্বৰ বৰা—নহয় ছাৰ, এইটো কেনেকৈ হব পাৰে ?

মাননীয় উপাধ্যক্ষ—মিনিষ্টাৰে টেবুলত ষ্টেট্‌মেণ্ট দিছে বুলি কৈছেই দেখোন।

শ্ৰীসোনেশ্বৰ বৰা – উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী শ্ৰীশৰতচন্দ্ৰ ডাঙৰীয়াই দুই তিনি দিন বাজেট বক্তৃতাৰ উত্তৰত আমাক ভুৱা উত্তৰ দি উত্তৰ শেষ কৰিলে। তাৰ পাছত উদ্যোগ মন্ত্ৰীয়ে মুখ্যমন্ত্ৰীৰ উত্তৰ অঁাৰ কৰি চাম বুলি কৈছে – এইটো কেনেকৈ আমি মানিম ?

Shri Chatrasing Teron ( Minister )— There may be some printing mistakes, there may be some factual mistakes. Therefore, if it is wrong, that has to be corrected.

শ্ৰীপিটচিং কোঁৱৰ – যোগীঘোপাৰ শেহতীয়া খবৰ কি ? তাত দেখোন চাইনবোৰ্ড আছে কিন্তু – একোৱেই নাই।

শ্ৰীচত্ৰচিং টেৰণ (মন্ত্ৰী)— এইটো হয়, চাইনবোৰ্ড আছে – কিন্তু এইটো ভাৰত চৰকাৰৰ প্ৰজেক্ট—তাত অসম চৰকাৰৰ হাত নাই : এই সম্পৰ্কত তেওঁলোকক আমি যিখিনি সহায় সহযোগ আগবঢ়াব লাগে সেইখিনি আগবঢ়াইছো আৰু কাৰখানাৰ ব্যৱস্থা তেখেতসকলেই কৰিম বুলি কৈছে।

Dr. Rabin Goswami - Hon. Minister did not reply to my query about the reconstitution of the Board of Directors.

Shri Chatrasing Teron ( Minister ) – Sir, may I draw your attention ? In the English version of the Budget Speech it appeared like this. "The special paper manufacturing factory at Gauhati, a jute twine factory at Nowgong and Rice and Oil extracting factory at

Dibrugarh have gone into production." So, there is some printing mistake about the place.

শ্ৰীসোণেশ্বৰ বৰা - তেন্তেহলে অসমত অসমীয়া ভাষাৰ উন্নতি হৈছে ?

শ্ৰীচত্ৰচিং টেৰণ (মন্ত্ৰী) - এইটো ছপা কৰোতে ভুল হব পাৰে। নগাঁৱৰ ভাব আছিল কাৰণে নগাওঁ শব্দটো ইয়াত সোমাই পৰিল।

শ্ৰীসোণেশ্বৰ বৰা— অসমত এটা কথা আছে নগাওঁ, ডেৰগাওঁ, চাৰিং চাৰি গাওঁ, নিদিবা নিনিবাঃ ঠিক তেনেকৈয়ে অসমৰ বা নগাওঁৰ অৱস্থা হৈছে।

Mr. Deputy Speaker—Yes, Dr. Goswami, what was your point ?

Dr. Robin Goswami - I raised the point about the reconstitution of the Board of Directors. It was formed in April, 1972. In the meantime, I understand, Shri K. P. Barooah, one of the members of the Board has resigned in protest against a irregular deal done by the Managing Director.

Shri Chatrasing Teron (Minister) - The resignation by Shri K. P. Barooah, that has not come to my notice. About the reconstiution of the Board I quite agree that it is high time that Board should be reconstituted because it was quite long that they have been there in the Board.

Shri Dulal Chandra Barua – Sir, in 1974 this matter about the reconstitution of the Board was discussed in this House and the Govt. assured the House that the Board would be reconstituted. Then in 1975 the same matter was raised and the Govt. also said that they are going to reconstitute the Board. Now, again 1977 the Govt. has come up with the reply that they are going to reconstitute the Board. I do not know when it will be done.

Shri Chatrasing Teron (Minister)—It will be done very soon.

Shir Dulal Chandra Barua—By not reconstituting the Board of Directors, Govt. is violating Company laws.

Shri Chatrasing Teron ( Minister )—Sir, according to the Company Laws the Board of Directors can be renewed.

Shri Dulal Chandra Barua—Whether that renewal has also been given ?

Shri Chatrasing Teron ( Minister ) – I shall have to check up that. But as far as I remember that has been given. But the fact that the Board of Directors

require reconstitution, I quite agree with the hon. member.

*Shri Dulal Chandra Barua—Sir, under Rule 301 of the Rules of Procedure and Conduct of Business I want to raise an important matter here in this august House because it vitaly concerns the friendship between two States, that is Assam and Nagaland. The subject matter is a newsitem appearing in the Assam Tribune, dated 21st April, 1977, under the caption "Alleged Assault on Nagaland Officials on Assam Border."

On 11th April, the S. D. O. (Civil) Wokha, Nagaland, along with some of the officials wanted to cross the Nagaland and Assam boundary at Uriamguri. It is reported that without any rhyme or reason, the personnel of Assam Police Battalion assaulted the S.D.O, Wokha and other civil unarmed officers very badly. As a consequence of this, next day there was protest in Wokha Sub Division by the people against illegal assault on the officials of Nagaland. A procession was taken out and it is rep rted that firing also took place and 2 persons were killed in Nagaland. My whole contention is we have been maintaining a brotherly relation with Nagaland from time immemorial. Now, this sort of incidents will create a bad blood between the 2 States which we do not want. We want that we

*Speech not corrected

should ( quorum bell rang)....Whatever circumstances may be there the question is Nagaland and Assam are to live together and we should maintain harmonious relation, brother, sisterly relation with them. Therefore, this sort of incident, irresponsible action will tell upon that relationship.

Therefore, I want to know at whose instance this incident took place. I know over the police personnel posted there is authority who is responsible for any of their action. Whether any instruction was given to the officials posted in the boundary to behave in that manner ? Therefore, the officers who were in charge of the Sub-Division, S. D. O., S. D. P. O., S. P. and D. C. are to be made responsible for this incident. We demand that an enquiry, if necessary a judicial enquiry should be made to find out the facts and at whole instance this took place. I want to appeal, through you, to our brethren in Nagaland not to misunderstand the people of Assam.

As I have said already, I repeat my demand for a judicial enquiry to find out the facts and at the same time I also want to know what action Government has take or propose to take against the guilty persons. ( At this stage Mr Speaker occupied the Chair and Mr. Deputy Speaker vacated it ).

*শ্ৰীসোনেশ্বৰ বৰা – অধ্যক্ষ মহোদয়, এই বিষয়টো ময়ো উত্থাপণ কৰিব বিচাৰিছো, আমাৰ এটা ভাব ফুটি উঠিছে এই সমস্যাটোলৈ, নগাৰাজ্যৰ ফালে কি হৈছে মই নাজানো কিন্তু আমাৰ ফালৰ পৰা গোলাঘাট মহকুমাৰ এই অঞ্চলত নগা পাহাৰৰ সীমান্ত অঞ্চলত বৰশী থকা ৰাইজৰ মাজত উৎবিগ্নতাৰ সৃষ্টি হৈছে। যোৱা কেবাবছৰো ধৰি এই সীমান্ত অঞ্চলবিলাকত কিছু ঘটনা ঘটিছিল যদিও এতিয়া কিছু শাম কাটিছে। কিন্তু অসম চৰকাৰে উইলিয়ামঘাটৰ পৰা আমাৰ সীমান্তচকী উঠাই অনাত আমাৰ ৰাইজৰ ভবিষ্যত নিৰপত্তাৰ সন্দেহ হৈছে। যি সকল কৰ্ম্মচাৰীয়ে এই কামটো কৰিলে তেওঁলোকক হয়তো ইফাল সিফাল কৰিব কিন্তু তাৰ পৰা এই পোষ্টটো উঠাই অনা কাৰণে ৰাইজৰ মাজত চিন্তা হৈছে। গতিকে কেনেকৈ এই সমস্যাটো সমাধানৰ কাৰণে উপায় উদ্ভাবন কৰিব পাৰি আৰু ৰাইজক নিৰাকৰণ কৰিব পাৰি তাৰ কাৰণে আমাৰ চৰকাৰে চেষ্টা কৰিব লাগে। বৰুৱা ডাঙৰীয়াই কোৱাৰ দৰে অনুসন্ধান কৰিব লাগে সেইবিলাক কৰি থাকক কিন্তু মোৰ নিবেদন হৈছে আমাৰ অঞ্চলৰ ৰাইজৰ মাজত যাতে ত্ৰাসৰ সৃষ্টি নহয় আৰু তেওঁলোকে যাতে আমাৰ ৰাইজক অনাহকত আক্ৰমন নকৰে তাৰ বাবে চিন্তা কৰিবলৈ মই নিবেদন কৰিলো।

*Shri Hiteswar Sa kia (Minister) – Mr. Speaker, Sir. According to information available with the State Government it appears that on 11th April, 1977 Shri P. Ngur Khama, S. D. O. (Civil), Wokha and a few other Nagaland officials arrived at about 10-30 P. M. from Nagaland at Uriamghat Fore,t Check Gate. They wanted to enter the Rengma Reserve Forest. As the Nagaland officials did not have any written perm't from the D. F. O. authorising them to enter Res rve

*Speech not corrected

Forest the Check gate staff did not allow them to enter the Reserve Forest. In this connection it appears that a heated altercation took place betweeen the check Gate Staff and Nagaland officials. Nagaland officials returned to Wokha as they were not allowed to proceed further.

In this connection a message was received from Nagaland Government which indicated that in course of the altercation the Nagaland officials including S. D. O. (C), Wokha was assaulted and the keys of their vehicles were snatched away by the Check Gate Staff with the assistance of some 3rd A. P. Bn. personnel from the nearly Border out post.

The allegations were enquired into jointly by the Deputy Commissioner, Sibsagar and the Deputy Commissioner Wokha of Nagaland along with Commandant 3rd A. P. Bn. on 14th April, 1977. The enquiry showed that the allegations of obstruction to the officials and snatching away of keys of the Nagaland vehicles was established. The allegation of assault on the Nagaland officials including the S. D. O. Wokha could not be established at the time of this enquiry. It was also ascertained that a Havildar and 3 Constables of the 3rd A. P. Bn. had arrived at the Check Gate on being signalled by the Check Gate Staff at a much

later stage. There was no evidence to sugest their involvement in the alleged incident of assault of S.D.O. Wokha.

Following the joint enquiry, orders were issued for disbanding with immediate effect, the 5 Home Guards who were attached to Uriamghat Forest Check Gate. The Forest Beat Officer attached to the Check Gate has also been placed under suspension on 16th April, 1977. A case has been registered at Sarupathar Police Station 6(4)78U/S147/148/149/342/325/379. Departmental action is proposed to be taken against the personnel of 3rd A. P. Bn. involved in the incident. The 3rd A. P. Bn. platoon has also been transferred from Uriamghat B. O. P.

As the incident was considered to be of a very serious nature, it has been decided to enquire further into the incident through the Comissioner, Upper Assam Division. It is also proposed to hold a discussion at the level of the Commissoners between Assam and Nagaland to review the measures by which such incidents can be prevented from recurring.

The situation in the area is now reported to be peaceful.

Sir, regarding the judicial enquiry as has been demanded by Shri Barua, I submit that our Commissioner of Upper Assam is making enquiry and after the report is submitted by him we will examine the report and also the proposal of the hon'ble member Shri Barua –

আমাৰ মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়াই যি কেইটা কথা কৈছে যে উইলিয়াম ঘাটৰ পৰা পুলিচ চকী উঠাই অনা সংক্ৰান্তত সেইটো লক্ষ্য কৰিবলগীয়া কথা। এই বিষয়ে চিন্তা কৰা হব আৰু ইতিমধ্যে তাত যাতে এটা শান্তি বিৰাজ কৰে তাৰ কাৰণে উপাযুক্তক নিৰ্দ্দেশ দিয়া হৈছে। দুই পক্ষৰ মিলামিচাৰ কাৰণে আৰু যদি কোনোবা তেনেকুৱা কৰ্ম্মীও ওলাই আছে তেওঁলোককো আমি ওলগ জনাম। মোৰ ফালৰ পৰা এইখিনিয়ে কবলগীয়া।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা—মাননীয় অধ্যক্ষ মহোদয়, নগালেণ্ড বৰ্ডাৰৰ লগত আম'ৰ দুয়োজনৰে সম্বন্ধ আছে। নগালেণ্ডৰ ৰাইজ আৰু অসমৰ ৰাইজৰ মাজত কোনো দিনাখনেই বিবাদ আজিলৈকে হোৱা নাই। কিন্তু বিবাদ সৃষ্টি কৰে অফিচাৰ লেভেলত। অফিচাৰ লেভেলৰ বিবাদৰ সুযোগ লৈয়েই গণ্ডগোল লগাই আছে। ইয়াৰ দ্বাৰা আমি যিটো বুজি পাইছোঁ, অন্তৰালত কিবা প্ৰৰোচনামূলক আৰু ষড়যন্ত্ৰ সোমাই আছে বুলি ভাবিছো। সেইবিলাক আৰু আমি বেছি ব্যাখ্যা নকৰো। তাত কমিশ্বনাৰেও অনুসন্ধান কৰক আৰু লগতে আমাৰ মূখ্যসচিবকো এইবিষয়ে বিবেচনা কৰিবলৈ অনুৰোধ কৰিব লাগে। আমি জন মতে ইয়াত এটা ডাঙৰ কথা সোমাই আছে। এই কথাবিলাক গুচাব নোৱাৰিলে ৰাইজে গণ্ডগোল নকৰিলেও ৰাইজক গণ্ডগোল কৰাবলৈ বাধ্য কৰাব। গতিকে দুয়োখন ৰাজ্যৰ মাজত যাতে আবহমান কালৰে পৰা চলি অহা যোগা-

যোগ আৰু সম্বন্ধ অটুট ৰাখিব পাৰি তাৰ কাৰণে আমাৰ মুখ্যসচিবক কথাটো বিচাৰ কৰিবলৈ দিব লাগে।

শ্ৰীমানবেন্দ্ৰ শৰ্মা— প্ৰিলিমিনাৰি অনুসন্ধান ডি, চি-য়ে চলাইছে চলাই থাকক। কিন্তু চাৰে পাছ বজাত এই লোক জন তালৈ কিয় আহে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা— আমি সকলো বিলাক কথা প্ৰকাশ কৰিব নোখোজো আৰু মাননীয় সদস্য জনে যিটো কথা কৈছে আমি তালৈকো নেযাওঁ। কথাটো বৰ 'ডেলিকেট' গতিকে আমাৰ মুখ্যসচিবক এইটো বিবেচনা কৰিবলৈ দিব লাগে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)— কথাটো চোৱা যাব। চাৰে পাচ বজাত কিয় আহে সেইটো মোৰ কাৰণেও কোৱাত অসুবিধা আছে। মুখ্য সচিবক অনুসন্ধান কৰিবলৈ কব পাৰিম।

( The Assembly reassembled after lunch at 2/32 p. m. with the Hon'ble Mr. Deputy Speaker in the Chair. )

## PRIVATE MEMBERS' RESOLUTION

*শ্ৰীদেবেন্দ্ৰ নাথ বৰা— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যৰ ছাত্ৰ ছাত্ৰী সকলৰ কাৰণে বিশেষকৈ নৱম দশম মানলৈকে যি সকল ছাত্ৰ ছাত্ৰীয়ে পঢ়ে তেওঁলোকৰ কাৰণে যি বুৰঞ্জী লিখা হয় সেই বুৰঞ্জী গতানুগতিক ভাবে নিলিখি বিশ্লেষণ মূলক আৰু গৱেষণামূলক ভাবে যাতে প্ৰণয়ন কৰা হয় তাৰ কাৰণে ৰাজ্য চৰকাৰক অচিৰেই বুৰঞ্জীবিদ আৰু অভিজ্ঞ পণ্ডিত লোক সকলক লৈ এখন কমিটি নিয়োগ কৰিবলৈ পৰামৰ্শ

* Speech not corrected

দিব লাগে। কিয়নো—( সদনত খুলৰ অভাৱ হোৱাৰ কাৰণে বিধান সভাৰ অধ্যক্ষ শ্ৰীৰমেশ চন্দ্ৰ বৰুৱাদেৱে বিধান সভাৰ সিবেলাৰ অধিবেশন পিছবেলাৰ আঢ়ৈৰজালৈ স্থগিত ৰাখে।)

মাননীয় উপাধ্যক্ষ মহোদয় মই প্ৰস্তাৱটো উত্থাপন কৰিছো এই কাৰণেই আৰু ইয়াৰ আচল উদ্দেশ্য হৈছে এইটো যে আমাৰ যিসকল স্কুলীয়া লৰা ছোৱালী আছে তেওঁলোকে যিবিলাক কিতাপ পত্ৰ অধ্যায়ন কৰিব লগা হয় আৰু যিবিলাক বুৰঞ্জী কিতাপ পঢ়িব লগা হয় সেই বুৰঞ্জীৰ ঘটনা বিলাক বিশ্লেষণ মূলক আৰু গবেষণা মূলক আৰু আধুনিক দৃষ্টিভঙ্গিৰে যাতে সেই কিতাপবিলাক ভালদৰে প্ৰণয়ন কৰা হয় তালৈ উদ্দেশ্য ৰাখি কৰিব লাগে। এই অধ্যায়নৰ জৰিয়তে যাতে তেওঁলোকৰ মনলৈ নতুন সমাজ ভাবধাৰা উদয় হয়। আমাৰ সৰু সৰু লৰা-ছোৱালীৰ কাৰণে যিবিলাক বুৰঞ্জীৰ পাঠাপুথি প্ৰণয়ন কৰা হৈছে বিশেষকৈ অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ পৰা পঞ্চম-ষষ্ঠমান শ্ৰেণীৰ কাৰণে যিবিলাক বুৰঞ্জীৰ পুথি প্ৰণয়ন কৰা হৈছে সাধাৰণ ভাবে সেই ঘটনা সমূহ সান্নিৱিষ্ট কৰা হৈছে। সেইবিলাক কিতাপ পঢ়ি যে আমাৰ লৰা ছোৱালী বিলাকে কিবা জ্ঞান আহৰণ কৰিব আৰু তেওঁলোকৰ মনত নতুন ভাব প্ৰকাশ হব সেইটো ঠাৱৰকৈ কোৱা টান। মই এটা উদাহৰণ দিব বিচাৰিছো আমাৰ স্বাধীনতাৰ পৰবৰ্ত্তী কালছোৱাত স্বৰ্গীয় জৱাহৰলাল নেহৰু আৰু লাল বাহাদুৰ শাস্ত্ৰীৰ বিষয়ে মাত্ৰ কেইষাৰমান কথা কোৱা হৈছিল। তাত লালবাহাদুৰ শাস্ত্ৰী ইমান চনত প্ৰধান মন্ত্ৰী হল আৰু তেওঁৰ ইমান চনত মৃত্যু হল। এই লৈ মাত্ৰ ৫ টা বাক্যত ঘটনা সমূহ সান্নিৱিষ্ট কৰিছে। কিন্তু মই কওঁ তেখেতৰ প্ৰধান মন্ত্ৰী হোৱাৰ আগৰ কাল ছোৱাৰ সেই সময়ৰ লগত জৰিত যিবিলাক ঘটনা প্ৰবাহ চলি আছে সেই কথাবিলাক যদি কিতাপত প্ৰকাশ কৰা নহয় তেতিয়াহলে আমাৰ লৰা ছোৱালী বিলাকৰ মনত কেনেকৈ সেই ঘটনা প্ৰবাহে বিকাশ লাভ কৰিব। ১৯৬৫ চনত ভাৰতবৰ্ষৰ পাকিস্থানৰ

লগত হোৱা সংঘৰ্ষৰ সময়ত গোটেই ভাৰতবৰ্ষত সামাজিক জীৱনৰ কি দৰে শাস্ত্ৰীজীয়ে আমাৰ জনসাধাৰণৰ মাজত সাহসৰ ভাব জগাই তুলিছিল সেই বিলাক কথা গবেষণা মূলক ভাবে প্ৰণয়ন কৰা হলে আমাৰ লৰা ছোৱালী বিলাকৰ মনত তেনে ধৰণৰ সাহসিকতাৰ ভাব উদয় হলহেঁতেন। ঠিক সেইদৰে স্বৰ্গীয় জৱাহৰলাল নেহৰুৰ সময়ৰ বুৰঞ্জী মাত্ৰ ১০ টা বাক্যৰে সমাপ্ত কৰিছে। কিন্তু তাকে নকৰি সেই সময়ৰ লগত ৰজিতা খোৱা ঘটনা প্ৰবাহ যদি লিখা হলহেঁতেন তেতিয়াহলে সেই কথাবিলাক অধ্যয়ন কৰি আমাৰ লৰা ছোৱালী বিলাকৰ মনত তেনে ভাব বিকাশ হলহেঁতেন। ঠিক সেইদৰে অসমৰ যিসকল মুখ্য মন্ত্ৰী আছিল যেনে গোপীনাথ বৰদলৈৰ দিনৰ আমাৰ ৰাজ্যখনত কিছুমান জনহিতকৰ কাম হৈছে তাৰ ভিতৰত গুৱাহাটী বিশ্ববিদ্যালয়, মেডিকেল কলেজ ইত্যাদি। কিন্তু তাতোকৈ উল্লেখযোগ্য কিছুমান কথা বিশেষকৈ সেই সময়ত পৰ্ব্বত ভৈয়ামৰ যিটো সম্প্ৰীতি সেইটো দৃঢ় হৈ পৰিছিল, সেই বিষয়ে কিন্তু তাত উল্লেখ নাই বা তেনেবিলাক কথা সান্নিবিষ্ট কৰা হোৱা নাই। ঠিক তেনেদৰে প্ৰধান মন্ত্ৰীয়ে হওক বা মুখ্য মন্ত্ৰীয়ে হওক অমুক ইমান চনত জন্ম হয় আৰু ইমান চনত মৃত্যু হয়, সেইদৰে গতানুগতিক ভাবে লিখা হৈছে। কোনো গবেষণা মূলক বা বিশ্লেষণ মূলক ভাবে হোৱা নাই। ঠিক সেইদৰে দশম বা নবম মান শ্ৰেণীৰ ভাৰত বুৰঞ্জী লিখা হৈছে পঞ্চশীলৰ কথা। কিন্তু তাকে নকৰি আজি ভাৰতবৰ্ষই আন্তৰাষ্ট্ৰীয় ক্ষেত্ৰত কি দৰে নন, এলাইনমেণ্ট বা গোষ্ঠী নিৰপেক্ষ নীতি লৈছে সেই বিষয়ে বুৰঞ্জীৰ পুথিত গবেষণা মূলক আৰু বিশ্লেষণ মূলক ভাবে সন্নিবিষ্ট কৰা হলে লৰা ছোৱালীৰ মন সেইবিলাক কথাৰ প্ৰতি সজাগ হলহেঁতেন।

একেদৰেই বৰ্ত্তমান মুখ্য মন্ত্ৰী ইমান চনত মুখ্য মন্ত্ৰী হল ইত্যাদি মাত্ৰ দুটামান কথা লিখা হৈছে। কিন্তু এই সময়ছোৱাৰ ভিতৰত যিবিলাক ঘটনা প্ৰবাহ হৈ গল সেই বিষয়ে যেনে ধৰণে প্ৰকাশ হব লাগিছিল তেনে ধৰণে সন্নিবিষ্ট কৰা হোৱা নাই। তাৰোপৰি ইয়াৰ যিবিলাক বাক্য প্ৰয়োগ হৈছে সেই বিলাকো কেনে ধৰণে হৈছে সেইটো চাবলগীয়া! গতিকে

আমাৰ এই কুমলীয়া লৰা ছোৱালী বিলাকৰ মনত যাতে বুৰঞ্জীৰ বিভিন্ন সময়ৰ ঘটনাবলীয়ে সেই ঘটনা প্ৰবাহৰ লগত খাপ খোৱাকৈ হয় তালৈ লক্ষ্য ৰাখি পাঠ্য পুথি বিলাক বিশ্লেষণ মূলক আৰু গবেষনা মূলক ভাবে লিখিব লাগে। কলিকতা বিশ্ববিদ্যালয়ৰ পণ্ডিত এইচ, এন, শাস্ত্ৰীয়ে মহীশূৰৰ গেজেটিয়াৰৰ পৰা টিপু চুলতানৰ বিষয়ে ঘটনাবলী লিখি আনিছে আৰু সেই ঘটনাবলীৰ আজি প্ৰত্যাখ্যান কৰা হৈছে। গতিকে সকলো ঘটনাই গবেষণা মূলক আৰু বিশ্লেষণ মূলক ভাবে লিখি প্ৰণয়ন কৰিব লাগে।

সেইকাৰণে আমি এই প্ৰস্তাবটোত বৰ্ত্তমান সময়ৰ পৰিপ্ৰেক্ষিতত বিশেষকৈ আন্দোলনৰ সন্দৰ্ভত আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মনত যাতে জাতীয়তা বোধৰ জাগৰিত হয়, ঐক্য ভাব জাগৰিত হয় আৰু আমি যেতিয়া সত্য ঘটনাৱলী ঠিক মতে লৰা ছোৱালীৰ মনত প্ৰতিফলিত হয় তাৰ বাবে প্ৰস্তাবত কোৱা হৈছে। বুৰঞ্জীবিদ আৰু বিজ্ঞলোক সকলৰ কমিটি গঠন কৰি এটা বুৰঞ্জী প্ৰণয়ন কমিটি কৰিবলৈ মই চৰকাৰক অনুৰোধ জনাই মই বক্তব্য সামৰণি মাৰিলো।

*শ্ৰীপ্ৰেম বৰা :— উপাধ্যক্ষ মহোদয় মাননীয় বৰা ডাঙৰীয়াই উত্থাপন কৰা প্ৰস্তাৱটো মই সমৰ্থন কৰিছো। এই প্ৰস্তাবটো সময় উপযোগী আৰু সময় সাপেক্ষে কৰা হৈছে। আমাৰ কণ কণ লৰা-ছোৱালী বিলাকৰ সন্মুত আমি সত্য বুৰঞ্জী ডাঙি ধৰিব পৰাটোহে আচল কথা। যিসকল মহান প্ৰেমীয়ে দেশ প্ৰেমীয়ে ত্যাগৰ মহত্বৰে আদৰ্শ দেখুৱাই গল সেই সকলৰ নাম বুৰঞ্জী পাতত জিলিকি থাকিব। আৰু এই সকলৰ আৰ্হিলৈ আমাৰ কণ কণ লৰা-ছোৱালীয়ে সমাজ সংগঠনৰ আদৰ্শবাদী সমাজ গঢ়ি তুলিবলৈ সক্ষম হব। গতিকে আমি এখন শুদ্ধ নিকা বুৰঞ্জী বিচাৰ হব। যাতে এই বুৰঞ্জী পঢ়ি আমাৰ উঠি অহা লৰা-ছোৱালীবিলাকৰ চৰিত্ৰ গঠন হয়। আৰু সমাজবাদী দেশৰ ছাত্ৰী-ছাত্ৰীসকলৰ বাবে যাতে সমাজৰ প্ৰতি দায়িত্ব বোধ আহি পৰে। সেই সকলো দিশৰ পৰা মই এই প্ৰস্তাৱটো

*Speech not eorrected

অতি সময় উপযোগী বুলি ভাবিছে। আৰু এই প্ৰস্তাৱৰ গুৰুত্ব বোধ কৰি চৰকাৰক অনুৰোধ কৰো যাতে এই প্ৰস্তাবটো গ্ৰহণ কৰে।

শ্ৰীসোনেশ্বৰ বৰা :— মই শ্ৰীবৰা ডাঙৰীয়াৰ প্ৰস্তাৱটোৱে তেখেতসকলৰ ফালৰ পৰা সমৰ্থন পাব বুলি ভাবিছিলো, পিছে কোৱা মেলা দেখা নাই, সমৰ্থন যদিও থাকিব পাৰে। তথাপি মনৰ অনুভূতিৰ পৰা দুই এটা কথা কব খুজিছো। আমাৰ দেশৰ বুৰঞ্জী যে ভুলকৈ লিখা হৈছে সেইটো ঠিক। বিশেষকৈ বৃটিছ চৰকাৰৰ দিনত যি বিলাক বুৰঞ্জী লিখা হৈছিল, বৃটিছ চৰকাৰৰ যিবিলাকে বৃত্তি লৈছিল সেইসকল মানুহে সাধাৰণতে সেই কালত বুৰঞ্জী লিখিছিল আৰু তেওঁলোকৰ স্বতন্ত্ৰীয়া ভাবে বুৰঞ্জী লিখাৰ অধিকাৰ নাছিল। আৰু চৰকাৰে চৰকাৰৰ কাৰ্য্যকলাপ সমৰ্থন দি বুৰঞ্জী লিখিবলৈ বাধ্যও কৰাইছিল। আৰু তাৰ পৰিণতি হিচাবেই সাধাৰণ চাম বা সৰ্ব্বসাধাৰণৰ যিবিলাকে স্কুলত বা ভল খাপত বুৰঞ্জী পঢ়োৱাইছিল এই পঢ়োৱাৰ মাজেদি বুৰঞ্জীৰ আচল জ্ঞান মানুহে নাপাইছিল। যিজন টিপু চুলতানৰ কথা বৰা ডাঙৰীয়াই কৈছে, সেই টিপু চুলতানে নিজৰ দেশ ৰক্ষা কৰিবৰ কাৰণে বৃটিছৰ সৈন্য বাহিনীৰ লগত যুজিবৰ কাৰণে সকলো ব্যৱস্থা কৰিছিল। আৰু যুজিছিল কিন্তু দেশাত্মবোধ থকা এই বীৰজনক ভাবত বুৰঞ্জীত লিখা হৈছিল যে তেখেত দেশদ্ৰোহী কাপুৰুষ বৃটিছৰ কাৰণে টিপুচুলতান দেশদ্ৰোহী হব পাৰে কিন্তু দেশৰ ৰাইজৰ কাৰণে সেইজন নিশ্চয় বীৰ আছিল। গতিকে বুৰঞ্জীৰ ব্যাখ্যা কোনে কেতিয়া কেনেকৈ দিয়ে এই কথাটো চৰকাৰী ভাবে হেচা দি লিখোৱাৰ পৰিবৰ্ত্তে প্ৰকৃত বুৰঞ্জী লিখোৱাৰ ব্যৱস্থা কৰিব লাগে। অসম বুৰঞ্জী মূলক এবাৰ কথা এঠাইত আছে যে আহোমসকল অহাৰ সময়ত অসমত কোচ ৰজাই শাসন কৰিছিল। তাকে পঢ়ি আছে মানুহে। আহোমসকল নমাৰ বহুত দিনৰ পিচত অসমত আহোম নাম লয়। তেখেতসকল আহোম বুলি অহা নাছিল টাই বুলিহে আহিছিল। টাইকোঁৱৰ চুকাফাই আহিয়েই যুদ্ধ বিগ্ৰহ কৰিছিল চুতীয়া ৰজাৰ লগত। বুৰঞ্জীত লিখা আৰু জানানে নামৰ কিতাপত লিখিছে যে, আহোমসকল আহি কোচৰজাৰ

লগত প্ৰথমে খুন্দা মাৰিছিল। যি সকল মানুহে দেশৰ বুৰঞ্জী নাজানে যিসকলে দেশৰ ইতিহাস নাজানে সেইসকলে ৰাজনীতি কৰা ৰৰ টান। ৰাজনীতিজ্ঞ সকলক বুৰঞ্জীৰ জ্ঞান বেছি দৰকাৰ বুলি ভাবো আৰু কথা বিলাক শৃঙ্খলাবদ্ধ হ্ব লাগে। আৰশ্যে এইটো ঠিক যে আজি কংগ্ৰেছ শাসনত কংগ্ৰেছী লোকৰ হতুৱাই স্বৰাজৰ বুৰঞ্জী লিখোৱা হৈছে য'ত ভুৱা ৰাজধানীতিজ্ঞই ঠাই পাইছে। তাত যি বিশ্লেসণ বা ব্যাখ্যা থাকিব হয়তো কংগ্ৰেছৰ বিৰুদ্ধে থকা মানুহে বুৰঞ্জী লিখিলে সেইসকল কংগ্ৰেছীয়ে সিমানখিনি হয়তো সমাজৰ সমাদৰ নাপাব। এই বিলাক কথা আছে। সেই কাৰণে বুৰঞ্জী প্ৰকৃততে স্বতন্ত্ৰবীয়া হব লাগে আৰু সত্যৰ ওপৰত প্ৰতিস্থিত হব লাগে। পাঠ্যপথি হিচাবে স্কুলত চলায় নচলায় সেইটো কব নোৱাৰো।

গোষ্ঠী নিৰপেক্ষতাৰ কথা শ্ৰীদেবেন বৰা ডাঙৰীয়াই কৈছে। গোষ্ঠী নিৰপেক্ষতা বুলিলে কি বুজে? গোষ্ঠী নিৰপেক্ষতা বুলিলে ইংৰাজ আমেৰিকা গোষ্ঠী আৰু ৰাচিয়াক লৈ যিটো গোষ্ঠী, বিশেষকৈ যুদ্ধমান দুটা শিবিৰৰ পৰা আঁতৰত থাকি দেশ আৰু দেশৰ ভিতৰত থকা ব্যৱধান নাইকীয়া কৰিবৰ কাৰণে গণতন্ত্ৰৰ দ্বাৰা কৰা প্ৰচেষ্টাৰ যিটো গোষ্ঠী হব সেইটো গোষ্ঠীয়েই নিজপেক্ষ বলি মই কম। গোষ্ঠী নিৰপেক্ষতাৰ নামত আজি তৃতীয় এটা শিবিৰ বিশ্বত তৈয়াৰ হবৰ কাৰণে চেষ্টা হৈ আছে মাজে মাজে। গতিকে গোষ্ঠী নিৰপেক্ষতাৰ নীতি এজন চচিয়েলিষ্টে ব্যাখ্যা কৰিলে এক ধৰণৰ হব, এজন কমিউনিষ্টে ব্যাখ্যা কৰিলে এক ধৰণৰ হব, আৰু কংগ্ৰেছীয়ে ব্যাখ্যা কৰিলে আন ধৰণৰ হব। মূল শব্দ গোষ্ঠী নিৰপেক্ষতাৰ লগত কোনো পাৰ্থক্য নাথাকে। ঠিক তেনেকৈয়ে বুৰঞ্জীৰ ক্ষেত্ৰত বহুখিনি সংগতি আৰু বিসংগতি আহি পৰে কিন্তু চন তাৰিখ এই দুটা বস্তু শুদ্ধ হব লাগে। ১৯৪৩ চনৰ জুন মাহৰ ১৪ তাৰিখে কুশল কোঁৱৰৰ ফাঁচি হৈছিল, সেই কথাটো যদি ১৯৪৩ চনৰ আগষ্ট মাহত বুলি লিখা থাকে সেইটোকে যদি তৃতীয় আৰু প্ৰথম শ্ৰেণীত পঢ়াই থাকে এই ভুল পঢ়ো-

ৰাতো শুধৰাই দিবলৈ আজি আমাৰ মানুহ নাই। কুশল কোঁৱৰৰ জন্ম হৈছিল সৰু পথাৰত বুলি হাইস্কুলত পঢ়োৱা বি. টি পঢ়া শিক্ষক এজনে কাগজত ডাঙৰকৈ লিখি থোৱা দেখিছিলো যে, কুশল কোঁৱৰৰ জন্ম হৈছিল সৰুপথাৰত। কিন্তু আচলতে কুশল কোঁৱৰৰ জন্ম হৈছিল গোলাঘাট মহকুমাৰ ঘিলাধাৰী মৌজাৰ চাওদাং গাঁৱত। মোৰ নিজৰ ঘৰৰ পৰা ৩/৪ মাইল আঁতৰৰ কথা। এতিয়া অৱশ্যে তাত তেওঁখেতৰ ঘৰ নাই। কিন্তু মাটি বাৰী বোৰতো তাতে আছে। আৰু তেখেতৰ কাৰ্যাকাল চাকৰিয়াল হিচাবে বালিজান বাগিছাতেই আৰম্ভ হৈছিল। নিজৰ দুখীয়া জীৱনৰ পৰিতাৰণাৰ প্ৰতাপত থাকিব নোৱাৰি সৰুপথাৰলৈ অৰ্থনৈতিক কাৰণত উঠি আহে আৰু তাতেই ৰাজনৈতিক জীৱন আৰম্ভ কৰিছিল।

তেনে গুৰুত্বপূৰ্ণ কথাক বুৰঞ্জীত ভুল কৰা উচিত নহয়। ঠিক তেনেকৈয়ে কিছুমান সৰু কথা আছে। সেই বিলাক ভালদৰে চালিজাৰি চাব লাগে। কুশল কোঁৱৰৰ ফাচীৰ আগদিনা ৰাতি গধূলি যিটো শিলাবাটিত ভাত খাইছিল সেই বাটিটো ধুই পখালি পৰিষ্কাৰ কৰি থব ধৰাত ওৱাৰ্ডাৰ এজন আহি কলে যে, কোঁৱৰ ডাঙৰীয়া কাইলৈ ৰাতি নৌপুৱাওঁতেই ফাচী হব যেতিয়া বাটিটো ধুই ৰখাৰ কাৰণ কি? আপুনিটো এই বাটিত খাবলৈ নাপায়। পিচে কুশল কোঁৱৰে কলে যে তেওঁৰ ফাচী হব সেই কথা তেওঁ জানে কিন্তু কলে যে মোৰ পাচতো কোনোবা ইয়ালৈ আহিব নহয়। এই কথাটো তেনেই সৰু কথা যেনে লাগিলেও আচলতে ইয়াৰ ভিতৰত বহুত ডাঙৰ দৰ্শন লুকাই আছে। এতিয়া সেইবিলাক কথা ফহিয়াই চোৱাৰ সময় হ'ল। কুশল কোঁৱৰ এজন বৰ ভাল বিহুৱাও আছিল। তেখেতে সৰু কালত ভালকৈ ঢোল বজাব জানিছিল। সেই কোঁৱৰে ফাচী কাঠলৈ যাওঁতে "পাৰ কৰা দীননাথ সংসাৰ সাগৰে" বুলি গীত গাই গাই গৈছিল আৰু ফাচী কাঠত ফাচী গ্ৰহণ কৰিছিল। জীৱনৰ পৰিবৰ্ত্তনৰ এটা ডাঙৰ দৰ্শন আছে। এইবিলাক কথা চালিজাৰি চাব লাগে। গৱেষণামূলক ভাৱে বুৰঞ্জী প্ৰণয়ন কৰিবলৈ গলে এইবিলাক কথা ভালকৈ ফঁহিয়াই চোৱা হব, গতিকে এই প্ৰস্তাৱটো বিবেচনা কৰি চাব লাগে

আৰু যিমান দলৈকে পাৰি বিষয়সমূহ বিবেচনা কৰি গবেষণা কৰি চোৱা প্ৰয়োজন। সেই কাৰণে এই প্ৰস্তাৱটো সেই দিশৰ পৰা ভাল হ'ব কাৰণেই মই এই প্ৰস্তাৱটো সমৰ্থন কৰিছো।

• শ্ৰীমতী আনোৱাৰা টাইমুৰ (ৰাজ্যিক শিক্ষা মন্ত্ৰী) :— শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদেবেন বৰা ডাঙৰীয়াই ৰাজ্যিক পৰ্য্যায়ত বুৰঞ্জীবিদ ত্যাগী লোকসকলৰ স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বুৰঞ্জী প্ৰণয়নৰ বাবে এখন কমিটি কৰিবৰ কাৰণে যি প্ৰস্তাৱ আজি দাঙি ধৰিছে আৰু শিক্ষা বিভাগত বুৰঞ্জী প্ৰণয়নৰ বাবে যি পৰামৰ্শ আগবঢ়াইছে তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো। এই বিষয়ে ইতিমধ্যে ৰাজ্যিক শিক্ষা উপদেষ্টা কমিটিতো আলোচনা কৰা হৈছে।

আমাৰ দেশৰ তথা সমগ্ৰ পৃথিবীৰ ছাত্ৰ-ছাত্ৰীৰ বাবেই বুৰঞ্জী বিষয়টো অতি আৱশ্যকীয়। কাৰণ বুৰঞ্জীক বাদ দি কোনো দেশেই জীয়াই থাকিব নোৱাৰে। সেই বাবে আমাৰ ইয়াতো আধুনিক বৈজ্ঞানিক পদ্ধতিৰে বিশ্লেষণ আৰু মৌলিক গৱেষণা মূলক বুৰঞ্জী বিষয়ৰ কিতাপ আদি ৰচনা আৰু গৱেষণাৰ কাম আমাৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগে এই বিভাগটো স্থাপিত হোৱাৰ দিনৰ পৰাই চলাই আহিছে আৰু এই বিভাগৰ পৰা কেইবাখনো বিজ্ঞানসন্মত বুৰঞ্জী প্ৰকাশ পাইছে। ইয়াৰোপৰি গৱেষণাৰ কাম, বুৰঞ্জী প্ৰকাশ আৰু বুৰঞ্জীমূলক নথিপত্ৰৰ সংগ্ৰহ আৰু সংৰক্ষণ আদিৰ কামত সকলো ৰকমৰ পৰামৰ্শ দিবলৈ এই বিভাগত বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ উপদেষ্টা সমিতি আৰু আঞ্চলিক নথিপত্ৰ জৰীপ সমিতি নামে দুখন সমিতিও আছে।

বুৰঞ্জী বিশ্লেষণ কৰি তাৰ ওপৰত মৌলিক গৱেষণা চলাই আধুনিক বৈজ্ঞানিক পদ্ধতিত আমি নিৰ্দ্ধাৰিত কিছুমান আঁচনি লব পাৰিলে আমাৰ দেশৰ স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰী সকল যথেষ্ট উপকৃত হব। আমাৰ ৰাজ্যৰ বুৰঞ্জীবিদ আৰু অভিজ্ঞলোক সকলে একো একোটা অঞ্চলৰ নথিপত্ৰ

সংগ্ৰহ কৰি জৰীপ কাৰ্য্য চলাই বিশ্লেষণ আৰু গবেষণা মূলক বুৰঞ্জী প্ৰণয়ন কৰিব পৰাটো অতিশয় আনন্দৰ কথা । এই বিলাকৰ ওপৰিও এই বিভাগে ইতিমধ্যে কেইবাখনো কিতাপ উলিয়াইছে আৰু সেই বিলাক এতিয়া আমাৰ দুয়োখন বিশ্ববিদ্যালয়ৰে পাঠ্যপুথি হিচাবে গ্ৰহণ কৰা হৈছে ।

ইয়াৰোপৰি আমাৰ ইয়াত বিশেষকৈ স্কুলৰ পৰ্য্যায়ত যিবিলাক বুৰঞ্জী পাঠ্যপুথি হিচাবে দিয়া হৈছে সেইবিলাকত আমাৰ প্ৰাচীন অসমৰ বিষয়ে আৰু বেছি বহুলভাবে থকাটো প্ৰয়োজন বুলি বহুতে মন্তব্য কৰে । আমাৰ ইয়াত উন্নত বৈজ্ঞানিক পদ্ধতিৰে যদি বিশ্লেষণ কৰি মৌলিক গবেষণা মূলক বুৰঞ্জী প্ৰণয়ন কৰি দেশৰ উঠি অহা ছাত্ৰ-ছাত্ৰী সকলৰ মাজত দিব পৰা যায় তেতিয়াহলে তেওঁলোকে আমাৰ অতীত বুৰঞ্জীৰ বিষয়ে আৰু বেছি জানিব পাৰিব ।

ইয়াৰোপৰি আমাৰ বিশ্ববিদ্যালয় দুখনত আঞ্চলিক ভাষা পাঠ্যপুথি প্ৰণয়ন সমন্বয় কমিটি দুখন আছে (কোঅৰডিনেচন কমিটি ফৰ প্ৰডাকচন অব টেক্সবুক ইন ৰেজিঅ'নেল লেংগুৱেজ) আৰু এই কমিটিয়ে বিভিন্ন পাঠ্যপুথি প্ৰণয়ন কাৰ্য্যত সহায় কৰি আহিছে । অৱশ্যে এতিয়ালৈকে ৰাজ্যিক পৰ্য্যায়ত বুৰঞ্জী প্ৰণয়নৰ বাবে কোনো কমিটি কৰা হোৱা নাই ।

আনহাতে আমাৰ পাঠ্যপুথি নিগমেও মাধ্যমিক শিক্ষা পৰিষদে মনোনীত কৰি দিয়া বহুতো কিতাপ প্ৰকাশ কৰিছে । এই ক্ষেত্ৰত এন চি ই আৰ টিৰো যথেষ্ট অৱদান আছে ।

গতিকে সৰ্ব্বাত্মক প্ৰচেষ্টা চলাই বিশ্লেষণ মূলক মৌলিক গৱেষণাৰ দ্বাৰা চালি জাৰি লৈ আমি আমাৰ দেশৰ প্ৰাচীন বুৰঞ্জী উদ্ধাৰ কৰি তাৰ জ্ঞানেৰে যদি স্কুল কলেজৰ ছাত্ৰ ছাত্ৰীক আলোকিত কৰিব পৰা

যায় সেইটো নিতান্ত প্ৰয়োজনীয় হব।

মাননীয় বৰা ডাঙৰীয়াই কৈছে যে অসম বুৰঞ্জীত আমাৰ স্বাধীনতা আন্দোলনৰ কথা আৰু স্বাধীনতা যুদ্ধত আমাৰ শ্বহীদ ভোগেশ্বৰী ফুকননী, কনকলতা, কুশল কোঁৱৰ, মুকুন্দ কাকতী আদি আৰু শ্ৰদ্ধেয় হেম বৰুৱা, গোপীনাথ বৰদলৈ, তৰুণৰাম ফুকন আদি যিসকলে দেশৰ হকে যি অৱদান দিলে সেইসকলৰ বিষয়ে বহলাই পোৱা নাযায়। গতিকে এই সকলৰ দেশৰ প্ৰতি থকা আত্ম বলিদান পৰাধীনতাৰ শিকলিৰ পৰা দেশক মুক্ত কৰিবলৈ এখেতসকলে যি অৱদান আগবঢ়ালে সেই সকলো বৰ্ণনা কৰি আমাৰ অসম বুৰঞ্জী লিপিবদ্ধ কৰিব পাৰিলে তাৰ পৰা লাভৱান হোৱা যাব । এই সম্পৰ্কত যি পৰামৰ্শ আগবঢ়াইছে সি অতি প্ৰয়োজনীয়। শ্ৰীবৰা ডাঙৰীয়াই এতিয়া কৈছে যে কুশল কোঁৱৰ মৰিবৰ সময়ত, পাৰ কৰা দীননাথ সংসাৰ সাগৰে' বুলি গীত গাই মৰিছিল সেই বিলাক সত্যৰ উত্ঘাটন হব লাগে আৰু বিশ্লেষণ মূলক গৱেষণা হোৱা দৰকাৰ। সেই ফালৰ পৰা এই কমিটি গঠন কৰাৰ পৰামৰ্শ গ্ৰহণযোগ্য হব।

মাননীয় উপাধ্যক্ষ— অসম বিধান সভাৰ এই অধিবেশনে প্ৰস্তাৱ গ্ৰহণ কৰে যে বিশ্লেষণমূলক মৌলিক গৱেষণা চলাবৰ বাবে আৰু বৈজ্ঞানিক অনুসন্ধানৰ আধুনিক পথেৰে আঞ্চলিক বা ৰাজ্যিক পৰ্য্যায়ত বুৰঞ্জী প্ৰণয়নৰ বিশেষকৈ স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে এক সৰ্ব্বাত্মক প্ৰচেষ্টা চলাবৰ কাৰণে ৰাজ্য চৰকাৰক অচিৰেই বুৰঞ্জীবিদ আৰু অভিজ্ঞ লোকসকলক লৈ এখন কমিটি নিয়োগ কৰিবলৈ পৰামৰ্শ দিয়া হওক।

( প্ৰস্তাৱটো গ্ৰহণ কৰা হয়।)

শ্ৰীসোনেশ্বৰ বৰা— উপাধ্যক্ষ মহোদয়, মোৰ প্ৰস্তাৱটো হৈছে এই— অসম বিধান সভাৰ এই অধিবেশনে প্ৰস্তাৱ গ্ৰহণ কৰে যে ১৪ বছৰ

বয়স পৰ্য্যন্ত ৰাজ্যখনৰ সমগ্ৰ লৰা-ছোৱালীৰ কাৰণে এইৰছৰৰ পৰা বাধ্যতামূলক আৰু বিনামুলীয়া এম, ই, এম, ভি, উচ্চ বুনিয়াদী শিক্ষা পৰ্য্যন্ত প্ৰবৰ্ত্তন কৰা হওক।'

উপাধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটো ননাকৈয়ে অসম চৰকাৰে ১৪ বছৰ বয়সলৈ ৰাজ্যখনৰ সমগ্ৰ লৰা-ছোৱালীৰ কাৰণে বাধ্যতামূলক আৰু বিনামূলীয়া শিক্ষা প্ৰৱৰ্ত্তন কৰা উচিত আছিল। স্বৰাজৰ ৩০ বছৰ পিছত আৰু সংবিধান গ্ৰহণ কৰাৰ ২৭ বছৰৰ, এই সময় চোৱাত প্ৰাথমিক শিক্ষাৰ এই দায়িত্ব কণ অন্ততঃ চৰকাৰে লব লাগিছিল। ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে গৃহীত ভাৰতবৰ্ষৰ সংবিধানৰ ৪৫ অনুচ্ছেদত এই কথা লিপিবদ্ধ আছে যে দেশৰ সমগ্ৰ ১৪ বছৰ বয়সৰ লৰা-ছোৱালীকে সংবিধানৰ প্ৰথম ১০ বছৰৰ ভিতৰতে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ দিহা কৰাৰ ব্যৱস্থা হব। আৰু এইখিনি কৰিবৰ কাৰণে আমাৰ সংবিধানে দিয়া ব্যৱস্থা আমাৰ ৰাজ্য চৰকাৰে পালন কৰিব নোৱাৰাটো অতি পৰিতাপৰ কথা। এনেকুৱা প্ৰশ্নৰ অৱতাৰণা হলে কোৱা হয় যে পইচাৰ অসুবিধা। কিন্তু মই কওঁ যে পইচাৰ কাৰণে কোনো কাম পৰি নাথাকে। ইয়াৰ মূলতে হল কাম কৰাৰ এটা হেপাহ লাগে। আমাৰ শাসক সকলে যদি এই বিষয়টো দূৰদৰ্শিতাৰ ফালৰ পৰা উপলব্ধি কৰে তেতিয়াহলে পইচাৰ অজুহাতত আমাৰ এই লৰা ছোৱালী বিলাক প্ৰাথমিক শিক্ষাৰ পৰা বঞ্চিত হৈ থকাৰ কোনো কাৰণ নাথাকে। আৰু সেই কাৰণেই আজি এই প্ৰস্তাটো অসম বিধান সভাৰ মজিয়ালৈ আনিবলগীয়া হৈছে। সেয়ে এই প্ৰস্তাৱটো অতি প্ৰয়োজনীয় বুলি ভাবি আমাৰ বিৰোধী পক্ষ আৰু চৰকাৰ পক্ষৰ উভয় পক্ষৰ বিধায়ক সকলে সৰ্বসন্মতিক্ৰমে এই প্ৰস্তাৱটো সমৰ্থন দিব বুলি মই জয় জয়তে আশা ৰাখিছো।

উপাধ্যক্ষ মহোদয়, আজি যিসকল লৰা ছোৱালীয়ে প্ৰাথমিক শিক্ষা কণো পোৱা নাই সেই সকল লৰা ছোৱালীৰ অভিভাৱক বা পিতৃসকল

যে কোন বিধৰ মানুহ তাক সহজে অনুমান কৰিব পাৰি। এই সকল, যিসকল লৰা-ছোৱালীৰ মাক-বাপেক সাধাৰণতে বনুৱা কৃষক দৰিদ্ৰ শ্ৰেণীৰ লোক, উপাৰ্জনো নাই আৰু যিসকল নগৰ-চহৰৰ পৰা আঁতৰত থাকে আজিলৈ কোনো শিক্ষাৰ পোহৰ পোৱা নাই, সাধাৰণতে সেইসকলৰ লৰা বিলাকেই পঢ়া নাই। যদি অভিভাৱক সকলৰ লৰা-ছোৱালীৰ কাৰণে পঢ়াৰ ব্যৱস্থা নাই, সেই সকল লৰা ছোৱালীক ৰাইজ আৰু সমাজৰ স্বাৰ্থৰ কাৰণে পঢ়া-শুনাৰ ব্যৱস্থা কৰি দিয়া চৰকাৰৰ কৰ্তব্য। যিসকলে পঢ়ি-শুনি ভাল হৈছে সেই সকলেই এই সকলক আগুৱাই অনাটো বিশেষ দৰকাৰ। সাধাৰণতে আমি ভাবো যে আমাৰ ৰাজ্যৰ বহুত লৰা-ছোৱালীয়ে পঢ়িছে। যিফালেই চাও সিফালেই বিশেষকৈ চহৰ অঞ্চলত আমি দেখো যে প্ৰায় সকলো বিলাক লৰা-ছোৱালীয়ে স্কুল-কলেজ-লৈ গৈছে। এইবিলাক দেখি সময়ত ভাৱ হয় যে আমাৰ দেশৰ সকলো লৰা-ছোৱালীয়ে পঢ়িবলৈ সুবিধা পাইছে। কিন্তু ভালকৈ অংক কৰিলে পোৱা যায় যে আমাৰ ৰাজ্যৰ শতকৰা ৭০ ভাগ লোক বা মানুহে নিৰক্ষতাৰ কোঢ়াল গ্ৰাসত পৰি আছে। সামান্য চহী এটাকো দিব নাজানে। শতকৰা ৭০ ভাগ মানুহ নিৰক্ষৰ হৈ থাকিলে কেনেকৈ? এই সকলো বিলাক বিচাৰ কৰা চৰকাৰৰ কৰ্তব্য। আমাৰ যোৰহাট, গোলাঘাট, গুৱাহাটী আদি নগৰ বিলাকত চালে এই তথ্য ভুল যেন লাগে। আমি যি সকল মানুহক দেখো সেইসকলৰ লৰা-ছোৱালীসকল স্কুল-কলেজলৈকেই যোৱা দেখিছো। কিন্তু এই তথ্য আমাৰ নিজৰ তথ্য নহয়। এইটো হল চৰকাৰে দিয়া তথ্য। গুৱাহাটী মহানগৰীকে ধৰি অসমত ৭২ খন চহৰ আছে। আজি প্ৰায় ৰাজহ গাওঁ আৰু ৰাজহ নোহোৱা ফৰেষ্ট আদিকে ধৰি ৰাজ্যখনত গাওঁৰ মুঠ সংখ্যা ২৬ হাজাৰ হব। অসমত ৭৫০ খন চাহ বাগিচা আছে। সেই সকলো অঞ্চলত শিক্ষিত মানুহৰ ভিতৰতে এই মানুহ বিলাকো সোমাই আছে। এই মানুহ বিলাকৰ ভিতৰত যিবিলাক পিচপৰা অঞ্চল, নানা নৈৰ চৰ, পাহাৰৰ ওচৰত থকা মানুহ, চাহ বাগিচা আদিৰ ভিতৰত বৃহত সংখ্যক মানুহ সোমাই আছে।

আজি হিচাব কৰিলে ৰাজ্যখনত প্ৰায় ২০,২৪৮ খন প্ৰাথমিক স্কুল আছে। অসম এডুকেচনে কোৱাটাৰলি বুলেটিনৰ ৭ পৃষ্ঠাত এই তথ্যটো দিয়া আছে।

এই কিতাপত দিয়া তথ্য মতে মুঠ ছাত্ৰৰ সংখ্যা ১,৩৪,৩৮৭ জন। কিন্তু এই হিচাবটো ভুল। কিয়নো গড় হিচাবে ২০ হাজাৰ স্কুলত ৫ জন কৈ ছাত্ৰ-ছাত্ৰী ধৰিলেও ১ লাখ হয়। গতিকে একোখন স্কুলত ৫ জনকৈয়ে ছাত্ৰ-ছাত্ৰী আছে নে? সেই কাৰণে মই ভাবিছো এই অংকতো ভুল। চৰকাৰে প্ৰকাশ কৰা তথ্য-পাতি বিলাক যে শুদ্ধ নহয় তাৰ প্ৰমাণ ইয়াতেই আছে। এই প্ৰাইমাৰী স্কুল বিলাকৰ ভিতৰত পাহাৰ অঞ্চলত ১১৪১ খন আৰু ভৈয়াম অঞ্চলত ১৯,১০৭ স্কুল আছে বুলি কোৱা হৈছে। এম-ই, এম-ভি, স্কুলৰ মুঠ সংখ্যা হৈছে ২৫০৪ খন। ইয়াৰ ভিতৰত ভৈয়াম অঞ্চলত ৫ খন চৰকাৰী স্কুল, ১৭০৫ খন সম্পূৰ্ণ সাহায্যপ্ৰাপ্ত স্কুল আৰু ৬১৭ খন এক কালিন সাহায্যপ্ৰাপ্ত স্কুল আছে।

১৪ বছৰীয়া লৰা-ছোৱালীয়ে পঢ়িব পৰা এম, ভি, এম, ই উচ্চ বুনিয়াদী মাদ্ৰাচা ইয়াৰ ভিতৰত পৰিব। এই হিচাবে প্ৰায় ৩ হাজাৰ স্কুল এম, ভি, এম, ই এই খাপটোত পৰিব। ২০ হাজাৰ ২৪৮ খন প্ৰাইমাৰী স্কুল ২৬ হাজাৰ গাৱৰ মাজত ভাগ কৰিলে এখন গাৱত ১ কৈ স্কুল নপৰে। প্ৰায় ৭৫০ খন চাহ বাগিচাৰ মাজত বৰ্তমান থকা স্কুলৰ সংখ্যা এই ২০ হাজাৰ ২৪৮ খনৰ ভিতৰত সোমাই আছে। গতিকে প্ৰতিখন গাঁৱত আৰু প্ৰতিখন বাগানত অৰ্থাত প্ৰায় ২৭ হাজাৰ গাওঁ আৰু বাগান লগ লগাই, তাৰ ভিতৰত ২০ হাজাৰ ২৪৮ খন স্কুল। অৰ্থাত প্ৰত্যেক লৰা-ছোৱালী থকা গাঁওত স্কুল নাই। এই প্ৰাইমাৰী স্কুল এখন দিব নোৱাৰাকৈ থাকি গা এৰাই এৰাই যোৱাটো নেতৃত্বৰ কেতিয়াও ভাল লক্ষণ নহয়। এই বিলাক কথা অলপ নগৰীয়া, চহৰীয়া শিক্ষিত সকলে গম পাইছে। সৰ্বসাধাৰণ ৰাইজে এই কথা নাজানে কেনেকৈ তেওঁলোক বঞ্চিত হৈছে। জনাৰ উপায় নাই কাৰণে হয়তো আমাৰ দেশৰ চৰকাৰ বা নেতৃত্বই,

আমাৰ বিধায়ক সকলে তিকি থাকিব পাৰিছে। সিদিনা মানকাচাৰত এজনক ধৰিছিল, প্ৰত্যেককে ধৰিব। দিন আহিছে। সেই কথাটোৰ প্ৰতি সাৱধান হোৱাটো নিতান্ত দৰকাৰ।। কম্পিউটাৰৰ যোগ কৰাত কেনেকৈ ভুল হৈছে? ৩০ টাকৈ ছাত্ৰ থাকিলেও ৬ লাখতকৈ বেছি হব। ৩০ জনকৈ ছাত্ৰ নথকা স্কুল কেনেকৈ আছে? ২০ হাজাৰ ২৪৮ খনত ৩০ জনকৈ ধৰিলেও ৬ লাখতকৈ বেছি হয়। ৬ লাখ প্ৰাইমাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰী আছে। ১১ বছৰৰ পৰা ১৪ বছৰলৈ পঢ়া স্কুলৰ সংখ্যা অন্ততঃ তিনি হাজাৰ স্কুল সেই হিচাবে ৩০ জনকৈ ছাত্ৰ ধৰিলেও ৯০ হাজাৰ হব। এই বিলাকত সাৱধান হোৱা উচিত। আমি সাৱধান হব খুজিছো। কাৰণ চৰকাৰ আমাৰ ফালে আহি আছে। সঁচা কব লাগিলে পৰিদৰ্শনৰ ৰিপোৰ্টবোৰ অলপ ভালকৈ চাব। ৰিপোৰ্টত প্ৰাইমাৰী, হাইস্কুল কলেজ আদি স্কুলত বেনামাৰী লৰা-ছোৱালী থাকে। ৰিকগনিচন পাবৰ কাৰণে পৰিদৰ্শকে ভুল ৰিপোৰ্ট দিয়ে। নথকা লৰা ছোৱালী বহুতো যোগ দিছে। ফলত ভাল স্কুল মঞ্জুৰীৰ পৰা বঞ্চিত হৈ আছে। লৰা ছোৱালী নথকা স্কুল বিলাকে পায়। এই কথাটো আগতেও উল্লেখ কৰিছে আৰু এতিয়াও উনুকিয়াই থওঁ। গতিকে এই অৱস্থাত আমাৰ চৰকাৰে প্ৰাইমাৰী স্কুল দিবৰ কাৰণে দায়িত্ব লব লাগে। বিশেষকৈ ৰাগানৰ বনুৱা, দৈনিক মজুৰী কাম কৰি উপাৰ্জন কৰা সকলৰ মাজত শিক্ষাৰ প্ৰতি ধাউতি আহিব লাগিছিল। ধাউতি আনি দিয়াটো নেতৃত্বৰ নিতান্ত কৰ্তব্য। ধাউতি আনি দিবলৈ হলে লৰা-ছোৱালীয়ে ওচৰত পঢ়িব পৰাকৈ স্কুল এখন দিয়াটো, শিক্ষক এজন দিয়াটো চৰকাৰৰ কৰ্তব্য। যোৱা বছৰ খিনিত উপযাচি স্কুল পতা ঠাইতো আমাৰ চৰকাৰে শিক্ষক এজনৰ, ব্যৱস্থা, বা ঘৰটো মেৰামতি আদিৰ ব্যৱস্থা কৰি দিব পৰা নাই। দিব নোৱাৰাৰ কাৰণে দৰ্শোৱা হয় পইচা নাই নাই বুলি। দ্বিতীয় বাৰ যাতে এই খিনি কথা কোৱা নহয় সেই খিনি কথাও ৰাখিছো। আমি অলপ অচৰপ পঢ়া লোক সকলেই বিধান সভাত আছো। আমি পঢ়িব জনা মানুহ খিনিয়ে পঢ়িব নজনা সকলক জানি শুনি নপঢ়াম সেইটো পাপ।

জানি শুনি পাপ কৰিলে মেৰু সমান। নাজানি নুশুনি পাপ কৰিলে তিলৰ সমান হয়। জানি শুনি স্কুল কৰি নিদিয়াটো মহা পাপ। অফিচাৰ, মন্ত্ৰীৰ অঙহি বঙহি থকাত স্কুল হ'ব, ফৰেষ্ট গাৱঁত বাগানত বাস কৰা সকল নাপাব এইটো নহব। বেচি নহলেও অন্ততঃ সামান্য বিদ্যাকণ দিব পাৰে। চাহ বাগিচাৰ পৰা আৰম্ভ কৰি নৈৰ চৰৰ মানুহ খিনি শিক্ষাৰ পৰা বঞ্চিত হৈ আছে। তাৰ ভিতৰত বেচিকৈ বঞ্চিত হৈছে মাতৃ জাতি। মাতৃ জাতিক যদি জ্ঞানী বা শিক্ষিত কৰিবলৈ নাযায় তেন্তে দেশখন কোনো ৰকমে আগবাঢ়িব নোৱাৰে। দেশ খন আগবঢ়াই নিব লাগিলে মাতৃ জাতিক শিক্ষিত কৰিব লাগিব। তেওঁলোকক সকলো ফালৰ পৰা জ্ঞানী কৰিব লাগিব। বনুৱা আৰু খেতিয়কে পঢ়াবৰ কাৰণে সুবিধা নাপাই পঢ়োৱা কিয় নাই, তাৰ কাৰণ কি? তাৰ কাৰণ উপলব্ধি কৰি দেখা যায় বনুৱা লৰা ছোৱালীৰ অভিভাবকে কয় আমাৰ লৰাই কত কেৰাণী মহৰি হব। পঢ়ালে শুনালেও চাহ তুলিব লাগিব। খেতিয়কে কয় পঢ়াই শুনাই কি কৰিম খেতিয়েই কৰিব লাগিব গতিকে নপঢ়োৱাই ভাল এই ধৰণৰ ভাব বিলাক আঁতৰাব লাগিব। তেওঁলোকৰ আচলতে পঢ়োৱাৰ মনোবৃত্তি নাই। কামৰ বাবে অন্য কথা ভবাৰ অবকাশ নাই।

আৰু সেই সুবিধা লৈ আজি জনগণৰ সুবিধাৰ ভিত্তিত আইন কৰা বুলি কোৱা হয়। আৰু সেই আইন মানি লৈ জনসংখ্যাৰ ভিত্তিত বাজেট কৰিছে, কেন্দ্ৰীয় চৰকাৰে শিক্ষাৰ কাৰণে মঞ্জুৰী দিছে। গতিকে এই সকলক শিক্ষিত কৰি তোলাৰ দায়িত্ব আহি পৰিছে। জনসংখ্যাৰ ভিত্তিত বাজেট কৰিছে, আঁচনি কৰিছে যি সকলৰ কাৰণে কিন্তু সেই সকলোকে শোষণ কৰি অহা হৈছে। গতিকে আজি যি সকলে ভোগ কৰি আহিছে এই সকল মানুহ শিক্ষিত জ্ঞানী হৈ উঠিলে ভোগ কৰিবলৈ নিদিব বুলি ভাবি এই সকলক যদি অশিক্ষিত কৰি ৰখা হয় তেনেহলে সেই সকলেই এদিন এই চৰকাৰৰ, এই নেতৃত্বৰ বিচাৰ কৰিব। এই

বিচাৰৰ সন্মুখীন হোৱাৰ সময় আহিছে। সেই সকল মানুহে আজি বুজি পাইছে এই সকল মানুহ আজি লাঞ্চিত, বঞ্চিত আৰু শোষিত হৈ আছে। গতিকে উপাধ্যক্ষ মহোদয়, মই মাননীয় সদস্য সকলক অনুৰোধ কৰিছো মোৰ এই প্ৰস্তাৱটো কাৰ্য্যকৰি কৰিবৰ কাৰণে, যিটোৱে চৰকাৰক সহায় কৰিব। এই প্ৰস্তাৱটো সমৰ্থন কৰিবৰ কাৰণেই মই এই খিনি কথা ৰাখিলো।

ইয়াৰ উপৰিও আমাৰ দেশৰ লোক সকল কৃষিৰ বেলিকা, জলসিঞ্চনৰ বেলিকা বা অনান্য কিবা এখন আঁচনি গ্ৰহণ কৰিবৰ বেলিকা, আজি কালি ৰাসায়নিক সাৰ দি খেতি কৰিব লাগে, যান্ত্ৰীক পদ্ধতিৰে খেতি কৰিব লাগে, বজাৰত উতপাদিত সামগ্ৰীৰ দাম পাব লাগে কেচা মালৰ দাম পাব লাগে, এই বিলাক কথাত যাতে এই মানুহ খিনিয়ে ঠগন খাব লগীয়া নহয় সেই কথা বিলাক বুজি উঠিবৰ কাৰণেই আমাৰ মানুহ বিলাকক শিক্ষিত কৰি তুলিব লাগিব। এই মানুহ খিনিক শিক্ষিত কৰি তোলাৰ দায়িত্ব চৰকাৰৰ আৰু বুদ্ধিয়ক মানুহ খিনিৰ। আজি এই মানুহ খিনিৰ জ্ঞানৰ অভাবৰ কাৰণে, বুদ্ধিহীনতাৰ কাৰণে দিনে দিনে দুখীয়াৰ পৰা দুখীয়া হৈ গৈছে। কোৱা হয় যে চাহ বাগানৰ বনুৱাই মদ খায়। কিন্তু মদৰ মহল বিলাক কোনে চলাইছে? যি বিলাক মানুহে মদ খালে পৰাচিত হব লাগে, সমাজৰ পৰা বৰ্জন হব লাগে সেই সকল মানুহেই মদ বেচে। কোৱা হয় হৈছিল যে চাহ বাগিচাৰ বনুৱা বিলাকে দিনৰ দিনতো কোব মাৰিব লগীয়া হোৱাৰ কাৰণে গা বিষ হয় আৰু সেই গাৰ বিষ মাৰিবৰ কাৰণেই মদ খাবলৈ দিয়া হয়। বৃটিচৰ সময়ত ভাৰত বৰ্ষৰ বনুৱা সম্প্ৰদায় কৃষক সামাজিক ভাবে, অৰ্থনৈতিক ভাবে, সাংস্কৃতিক ভাবে আগবাঢ়ি যাবলৈ দিয়া নাছিল। কিন্তু স্বৰাজৰ পিচতো সংবিধানৰ নামত এই সকল মানুহে কি প্ৰগতি লাভ কৰিছে ইয়ালৈ জানো কোনোবাই দৃষ্টি ৰাখিছে। আজি যি সকল মানুহে কোব মৰি ভাগৰি পৰাৰ কাৰণেই মদ খাবলৈ দিয়ে সেই সকল মানুহৰ পৰাই চিঠিখেলৰ নামত বহুত টকা আদায়

কৰি অনা হৈছে। দুখীয়া মানুহ বিলাকক একে দিনাই ধনী কৰিবৰ কাৰণেই চিঠিখেলৰ প্ৰবৰ্ত্তন কৰিছে। কিন্তু চিঠি খেলৰ টিকত কোনে বেচিকৈ কিনে ? যি বিলাক দুখীয়া মানুহ সেই বিলাকেই বেচিকৈ কিনে। চিঠিখেলৰ নামত প্ৰত্যেক বনুৱাৰ পৰা মাহে ২৷৩ টকাকৈ আনিব লাগিছে। এইটো আজি এক ৰকমৰ এটা চেষ্টা হৈছে। উপাধ্যক্ষ মহোদয় আপুনি যদি এবাৰ তদন্ত কৰি চায় চিঠি খেলৰ টিকত্ত কোনে বেচিকৈ কিনে তেতিয়াহলে জানিব পাৰিব যে এই বনুৱা শ্ৰেণীৰ মানুহেই বেচিকৈ টিকত কিনে । যি সকল মানুহৰ লৰা ছোৱালীৰ কিতাপ কিনি দিবলৈ পইচা নাই বছেৰেকত লৰা ছোৱালীৰ ফিজ দিব নোৱাৰে সেই সকল মানুহে চিঠিখেলৰ টিকত কিনে। এই খিনিতে প্ৰশ্ন আহিব পাৰে যে যদি কিতাপ কিনিবলৈ পইচা নাই, ফিজ দিবলৈ পইচা নাই তেনেহলে টিকত কিয় কিনে ? একে দিনাই ধনী হোৱাৰ প্ৰবৃত্তিৰ কাৰণেই টিকত কিনিবলগীয়া হয় যাতে সকলো সমস্যা সমাধান হয়। যি সকলৰ জ্ঞান নাই অভিজ্ঞতা নাই সেই সকলক শিক্ষিত কৰি তোলাৰ দায়িত্ব চৰকাৰৰ। সেই ফালৰ পৰা আজি এই খিনি লৰা ছোৱালী যাতে বঞ্চিত হৈ থাকিব নালাগে তাৰ কাৰণে বাধ্যতামূলক ভাবে চৰকাৰী খৰচত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। ১৯৫০ চনতেই বাধ্যতামূলক ভাবে শিক্ষা দিয়াৰ ব্যৱস্থা কোনো কোনো ঠাইত হৈছিল। কিন্তু পিচত এই বিলাক উঠাই দিয়া হল। এই খিনি মানুহ যেতিয়ালৈকে অনগ্ৰসৰ হৈ থাকিব, যেতিয়ালৈকে অশিক্ষিত হৈ থাকিব তেতিয়ালৈকে শিক্ষিত শ্ৰেণীয়ে বুদ্ধিয়ক শ্ৰেণীয়ে এই সকলৰ উপাৰ্জন আবহমান কালৰ পৰা অনন্ত কাললৈকে আইনৰ যোগেদি শোষণ কৰি থাকিব !

যেতিয়া লোকেল বৰ্ড আছিল তেতিয়া এটা দেখা পাইছিলো যে লোকেল বৰ্ডৰ সময়ত প্ৰতি মহকুমাতে একোখনকৈ চিভিল হস্পিটাল আছিল। এই হস্পিটাল বিলাক আছিল টাউন এলেকাত আৰু মিউনিচিপালিটিৰ ভিতৰত। তেতিয়া এটা নিয়ম কৰা হৈছিল যে হস্পিটালৰ এক মাইলৰ ভিতৰত বিনা পইচাতে চিকিৎসা পাব। এক মাইলৰ বাহিৰতগৈ

যদি ডাক্টৰ সকলে চিকিৎসা কৰে তেনেহলে মাইল হিচাবে ডাক্তৰক পইচা দিব লাগিব । হস্পিতালৰ ডাক্তৰৰ পৰা আৰম্ভ কৰি অনান্য কৰ্মচাৰী সকলৰ দৰ্মহা লোকেল বৰ্ডে দিব । দৰ্মহা লোকেল বৰ্ডে গাওঁলীয়া ৰাইজৰ কৰৰ পৰাই দিয়ে । আইন কৰা সকলে আইন কৰি ললে । ওচৰৰ খিনি লোকে অৰ্থাৎ মিউনিচিপালিটিৰ ৰাইজে বিনামূলীয়া চিকিৎসা পাব । অথচ হস্পিটালৰ বাবে কৰ দিব নালাগে । গাঁৱৰ মানুহ খিনি চিকিৎসাৰ পৰা সদায়েই বঞ্চিত হৈ থাকিল । ১৯৬০ চনতেই লোকেলবৰ্ড উঠি যোৱাৰ পিচত এই হস্পিটাল বিলাক চৰকাৰৰ হাতলৈ আহিল । তাৰ পিচত ব্যৱস্থাৰ পৰিবৰ্ত্তন হল । কিন্তু বুদ্ধিয়ক সকলে বুদ্ধিৰে সদায়েই চিকিতসা আদি পাই থাকিল । মই এই বিলাক কথা উদাহৰণ স্বৰূপেহে কৈছো । গতিকে এই বুদ্ধিয়ক মানুহ খিনিয়ে নিজৰ অকল স্বাৰ্থৰ কথা নাভাবি এই সকল মানুহক শিক্ষা দান কৰিব লাগে । যোৱা দুই বছৰত চৰকাৰে ৭৫০ খন অনানুস্থানিক স্কুল পাতিলে । ৮ বছৰৰ পৰা ১৪ বছৰ বয়সৰ সকলো নিৰক্ষৰ লৰা ছোৱালীক পঢ়াবৰ কাৰণে । ৪০।৫০ টকা দৰ্মহা দি একোজনকৈ শিক্ষক ৰাখিলে । এনেকৈ আমাৰ নিৰক্ষৰতা দূৰ হব নোৱাৰে । স্বাধীনতাৰ পিচত নিৰক্ষতাৰ সংখ্যা বাঢ়ি গৈছে । এই সমস্যা সমাধান কৰাৰ এক মাত্ৰ উপায় হৈছে সকলোকে শিক্ষা দান কৰা । কিন্তু নিৰক্ষৰ সকলক শিক্ষিত কৰিবৰ কাৰণে আমাৰ চৰকাৰৰ যি কণ সামান্য দায়িত্ব সংবিধানে দিছে সেই কণো পালন কৰা নাই ।

গতিকে মোৰ এই প্ৰস্তাৱটো বিধান সভাৰ মজিয়াত থকা সদস্য-সকলে সমৰ্থন কৰিব আৰু চৰকাৰে তাক গ্ৰহণ কৰিব । শিক্ষাৰ ক্ষেত্ৰত বামুণ কলিতা শুদিৰ ট্ৰাইবেল, চিহুল, আহোম, চুতীয়া, কোচ, কলিতা আদি বিভাজনক মানুহে এতিয়া পাপ বুলি বুজি পায় । গতিকে এই পাপ কৰ্মৰ কথা যাতে বুজি নাপায় আৰু নুবুজাকৈয়ে যাতে ডাঙৰ মানুহ হব পাৰে—মুকলি মূৰীয়াকৈ হাঁহিব পাৰে তাৰ ব্যৱস্থা শিক্ষাৰ মাজেদি বিকাশ কৰিবলৈ মই অনুৰোধ জনাইছো । পাপী মানুহে ভালকৈ হাঁহিব নোৱাৰে : কিন্তু যিসকলৰ পাপ নাই— সেইসকল হল এই সৰু সৰু

কৰা হৈছে। এটা তৃতীয় ভাগ আৰু আনটো চতুৰ্থ ভাগ। তৃতীয় ভাগত আছিল নাগৰিকসকলৰ মৌলিক অধিকাৰৰ সম্পৰ্কে। অৰ্থাৎ ৰাষ্ট্ৰৰ প্ৰতি প্ৰত্যেক নাগৰিকৰ যেনেকৈ দায়িত্ব থাকে ঠিক তেনেকৈ ৰাষ্ট্ৰৰ পৰা পাবলগীয়াও তেওঁলোকৰ কিছু অধিকাৰ থাকে আৰু সেই অধিকাৰ সমূহ সন্নিৱিষ্ট কৰা হৈছে এই সংবিধানৰ তৃতীয় ভাগত। কিন্তু যিসকলে ৰাষ্ট্ৰীয় যন্ত্ৰ পৰিচালনা কৰে বা যিসকলে চৰকাৰ গঠন কৰে সেইসকলৰ নাগৰিকৰ প্ৰতিও কিছুমান দায়িত্ব আছে। গতিকে যি ৰাষ্ট্ৰীয় যন্ত্ৰ আৰু মৌলিক দায়িত্ব পালন নকৰে তেনেহলে কি হব ?

উপাধ্যক্ষ মহোদয়, আপুনি জানে যে যেনেকৈ নাগৰিক এজনে সংবিধানৰ মৌলিক দায়িত্ব পালন নকৰে বা চুৰ কৰা উচিত নহয়— মানুহ বধ কৰা অনুচিত তেনেস্থলত যদি চুৰ কৰে বা হত্যা কৰে তেতিয়াহলে তেওঁলোকৰ জেইল হব— ফাঁচি হব : ঠিক তেনেকৈয়ে ৰাষ্ট্ৰীয় যন্ত্ৰ অৰ্থাত চৰকাৰে যদি মৌলিক অধিকাৰখিনি পালন নকৰে, তেতিয়াহলে সেই চৰকাৰ নিজে নিজে ফাঁচি হোৱা উচিত আৰু সেই চৰকাৰ অৱসান হোৱা উচিত। যদি অৱসান নহয় তেতিয়াহলে চৰকাৰে পাপ কৰি গুচি গল আৰু যিসকল ৰাইজে তেওঁলোকক অৱসান নঘটালে তেতিয়াহলে সেই সকলেও পাপ কৰিলে। কাৰণ এই বিষয়ত ৰবীন্দ্ৰ নাথ ঠাকুৰে অন্যায়ৰ বিৰোদ্ধে এটা কথা কৈছিল—

"অন্যায় যে করে আৰু অন্যায় যে সহে
তব ঘৃণা তারে তৃণ সম দোহে"।

গতিকে আমি যদি অন্যায় নকৰো তেতিয়াহলে অন্যায় সহ্য কৰাও উচিত নহয়।

আমাৰ সংবিধানৰ চতুৰ্থ ভাগত তৃতীয় ভাগৰ এটা পৰ্য্যায় সুন্দৰকৈ

দিয়া আছে। যাৰ ফলত কোৱা হৈছে সংবিধানৰ তৃতীয় ভাগত নাগৰিকৰ মৌলিক অধিকাৰ —এই মৌলিক অধিকাৰ পালন নকৰাতো ৰাষ্ট্ৰৰ বাবে অন্যায় আৰু গুৰুতৰ পাপ। তেনেস্থলত কি হব? আপুনি জানে উপাধ্যক্ষ মহোদয়, তাহানিৰ পৰাই তাৰ ব্যৱস্থা সংবিধানত আছে।

মহাভাৰতত এটা সাধু আছে। প্ৰাচীন কালত এজন ৰজা আছিল সত্য যুগৰ পৰা ত্ৰেতা যুগৰ মাজডোখৰত। ৰজা জনৰ নাম আছিল বেন নৃপতি। তেখেতে যেতিয়া শাসনৰ গাদীত বহিছিল—তেতিয়া প্ৰজাসকলক প্ৰতিশ্ৰুতি দিছিল যে এইখন ৰাইজৰ দেশ। ইয়াত যদি মোক ৰজা পাতে "মই শপত খাই কৈছো—যদি মই ভালকৈ ৰাজ্য শাসন নকৰো, মোৰ চৰকাৰৰ দিনত যদি প্ৰজাসকলৰ খাদ্যৰ অভাৱ হয়, বসতিৰ অভাৱ হয় আৰু বস্ত্ৰৰ অভাৱ হয়; যদি মোৰ ৰাজত্বত কেৱল দুৰ্ভিক্ষ — অতিবৃষ্টি অনাবৃষ্টি হয় তেতিয়াহলে তাৰ বাবে ময়েই জগৰীয়া হম — আৰু প্ৰজাবৰ্গই মোক শাস্তি দিব পাৰিব আৰু শাসনৰ পৰা আঁতৰাব পাৰিব।

কিন্তু বেন নৃপতিয়ে যেতিয়া তেওঁৰ নিজৰ আৰু গোষ্ঠীৰ স্বাৰ্থৰ কাৰণে কাম কৰিবলৈ ধৰিলে আৰু যেতিয়া মানুহৰ ভিতৰত ভাগ ভাগ কৰাৰ ব্যৱস্থা কৰিলে তেতিয়া প্ৰজাৰ মাজত অসন্তোষে দেখা দিলে। ৰজাই যেতিয়া গোষ্ঠী আৰু ব্যক্তি স্বাৰ্থৰ কাৰণে লাগি গ'ল তেতিয়া দেশত পাপৰ সঞ্চাৰ হ'ল আৰু ফলত খাদ্যবস্তু, অন্ন বস্ত্ৰ, সংস্কৃতি সকলো বিষয়তে হাহাকাৰ আৰম্ভ হ'ল আৰু প্ৰজা সকলে আবেদন নিবেদন কৰিলে যে ৰজাই প্ৰতিজ্ঞা পালন নকৰিলে আৰু তেতিয়া তেওঁলোক ভগবানৰ ওচৰলৈ গ'ল কাৰণ আগৰ দিনতহেনো ভগবানৰ ওচৰত যাব পাৰিছিল আৰু ব্ৰহ্মাক সকলো বিবৰি কলে আৰু কলে 'আমি এতিয়া কি কৰো' আৰু তেতিয়া ব্ৰহ্মাই ৰজাক মাতি নিয়ালে আৰু এই বিষয়ে সুধিলে। ৰজাই কলে 'মই কি কৰিম সকলো অৱস্থাৰ দাস' অৱস্থা লৈহে ব্যৱস্থা। যেনেকৈ আমাৰ চৰকাৰে কয় যে টকা থাকিলে কৰিলোহেঁতেন কিন্তু টকা নাই কি কৰিম। আজি স্কুল ঘৰ ভাল কৰিবলৈ

টকাৰ অভাব, কেন্দ্ৰীয় চৰকাৰক যিমান টকা বিছাৰিছিলো সিমান টকা নিদিয়ে। ইত্যাদি যেনেকৈ আমাৰ আপত্তি দেখায়। বেন ৰজাইও তেনেকৈ ব্ৰহ্মাক কলে তেতিয়া কিন্তু ব্ৰহ্মাই কলে 'সেইটো নচলিব, দায়িত্ব লৈছে যেতিয়া দায়িত্ব পালন কৰিব লাগিব। কাৰণ ক্ষমতাৰ লগে লগে দায়িত্ব আৰু কৰ্ত্তব্যৰ কথা আহি পৰে, তুমি দায়িত্ব পালন কৰাৰ চেষ্টা কৰা নহলে তুমি কিন্তু আঁতৰি দিব লাগিব। তেতিয়া বেন ৰজাই কলে 'যে অৱস্থা চাইছে ব্যৱস্থা' সেই কাৰণে কৰিব পৰা নাই। তেতিয়া ব্ৰহ্মাই কলে 'দেশৰ যেতিয়া এই অৱস্থা তোমাৰ এই কাম কৰাৰ অধিকাৰ নাই 'গেট আউট' তুমি আঁতৰি যোৱা আৰু যদি তুমি আঁতৰি নযোৱা তাৰ— পিচত বেন ৰজাই গেট আউট নহৈ সংবিধান অৰ্থাত লাইফ টাইম বঢ়াই ললে আৰু তেতিয়া ৰাইজে তেওঁক কিক আউট কৰি দিলে—

( ভইচ — এইবিলাক গল্প )

সংবিধান হেনো গল্প। গতিকে সংবিধানৰ ৪৫ যিটো ধাৰা আছে এজন ভদ্ৰলোকৰমতে এই গল্পত থকামতে এই সংবিধান কাৰ্য্যকৰী কৰা হ'ল ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখত আৰু তাৰ ১০ বছৰৰ ভিতৰত অৰ্থাত ১৯৬০ চনৰ ২৬ জানুৱাৰী তাৰিখৰ ভিতৰত এই কালচোৱাত যি সকলে দেশ শাসন কৰিলে যি সকলে দায়িত্ব লৈছে তেওঁলোকে প্ৰতিজ্ঞা কৰিলে যে ১০ বছৰৰ ভিতৰত এই সংবিধানমতে আমাৰ দেশৰ যিসকল ১৪ বছৰীয়া লৰা-ছোৱালী তেওঁলোকৰ শিক্ষা বাধ্যতামূলক হব আৰু সকলোৱে এই শিক্ষা লবই লাগিব বিনামূলীয়াকৈ আৰু সেই কাৰণে ভদ্ৰলোকজনে কোৱাৰ দৰে গল্পত এইটো সন্নিবিষ্ট কৰা হ'ল। অৰ্থাত লিপিবদ্ধ কৰা হ'ল। ভাৰতৰ জনসাধাৰণক যিদলে এইধৰণে শাসন কৰি থাকিল অৰ্থাত কংগ্ৰেছদল এই দৰা নিৰবচিন্ন ভাবে ১৯৫০ চনৰ পৰা আজিলৈ এটা দিনো চৰকাৰ নহোৱাকৈ থকা নাই শাসন চলাই আছে তেওঁলোকেই আজি অস্তিত্ব নোহোৱা কৰিলে। আমিও অৱশ্যে সদস্য নাম লৈ মাননীয় হও

বা অমাননীয়ই হওক, তনাৰেবুল বা আনঅনাৰেবুল বা পিঠিত বা তপিনাত কোবাই আমি সদস্য বুলি হলেও কাম কৰি আছো এই সংবিধানত প্ৰতিশ্ৰুত হৈ। আৰু এই সংবিধানতে আছে যে ১৯৬০ চনৰ ২৬ জানুৱাৰী তাৰিখৰ ভিতৰত নিৰক্ষৰতা দূৰীকৰণ হব ১৪ বছৰীয়া লৰা-ছোৱালী বিলাকৰ শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক হব। এই সংবিধানৰ দায়ীত্ব উনুকিয়াওতে যদি কোনোবাই বেয়া পাইছে তাৰ কাৰণে কেৰেপ কৰা নাই। কিন্তু অসমৰ ৰাইজৰ এই চৰকাৰৰ ওপৰত বিচাৰ কৰিবৰ প্ৰয়োজন হৈছে। অইন কাৰণে নহলেও যিহেতু তেওঁলোকে সংবিধানৰ দ্বাৰা প্ৰতিশ্ৰুত হৈ আকৌ সেই সংবিধানক অবমাননা কৰিছে। এটা কথা আমাৰ বৰ্ষা ডাঙৰীয়াই কৈছে মোৰ নতুন কথা কোৱাৰ ইচ্ছা নাই আমাৰ বিদ্যা হৈছে দুটা — প্ৰথমটো হৈছে চকু মুকলি কৰা আৰু আনটো হৈছে অৰ্থোপাৰ্জন। প্ৰথমটো বিদ্যা সকলোৰে কাৰণে অপৰিহাৰ্য্য। তথা-কথিত বামুণৰ লৰা হৰিজনলৈ যিটোৰ দ্বাৰা আমাৰ জ্ঞান বা চকু মুকলি হব। সেই বিদ্যাই চকু মুকলি কৰি দিয়ে। সাধু কথা বুলি ভাবিব পাৰে কিন্তু এইবিলাক আৰ্য্যবাক্য অৰ্থাত পুৰণা কথা। বহুত যুগ যুগ ধৰি অভিজ্ঞতাৰ পৰা অৰ্জন কৰা কথা। গতিকে এইবিলাক কথা এনেই উৰাই দিয়া কথা নহয়।

'গুৰু ব্ৰহ্মা, গুৰু বিষ্ণু, গুৰু দেৱ মহেশ্বৰ' — সৃষ্টি, স্থিতি, প্ৰলয়ৰ যে এই তিনিটা প্ৰকাশ।

ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ — এই তিনিটা প্ৰকাশৰ ভিতৰত যিটো আতাইকৈ ডাঙৰ যিটোৱে বিবেক বৰ্জিত পশুত্বৰ পৰা জ্ঞানৰ দ্বাৰা মানৱত্ব প্ৰদান কৰিব পাৰেতা সেইটোৱেই হৈছে গুৰু। নৈতিকতাৰ দিশৰ ওপৰিও আন এটা দিশো আছে যিটো আমাৰ মাননীয় সদস্যাই কৈছিল, সেই দিশটোও লক্ষ্য কৰা দৰ্কাৰ। সেইটো হৈছে অৰ্থনৈতিক দিশ। যি সকলে ভাবে যে বাজেটত টকা নোহোৱাৰ কাৰণেই আমি লৰা-ছোৱালী বিলাকক শিক্ষা

দিবপৰা নাই সেই সকলে এই অৰ্থনৈতিক দিক্‌টোৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। দায়িত্বত থকা যি সকল লোকে এই ভূমিকা পালন কৰে সেই সকলেই সমাজৰ আতাইতকৈ ডাঙৰ অপৰাধী-পাপী হিচাবে বিবেচিত হব লাগিব। সমাজত যিমান বিলাক শোষণ, অত্যাচাৰ, নিষ্পেষণ হৈছে, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি সকলো ফালৰ পৰা আনকি জাত পাতৰো ভেদাভেদ কৰি স্পৃস্য-অস্পৃশ্য আদিৰ ভেদাভেদ কৰিছে অকল অজ্ঞানতা আৰু অশিক্ষিতৰ সুযোগ লৈয়েই। যদি সমাজত সামান্যতমো শিক্ষাৰ প্ৰচাৰ হলহেঁতেন তেতিয়াহলে, কেতিয়াবাই সেই সকল লোকক নিৰ্মূল কৰিলেহেঁতেন। গতিকে যিটো দেখা যায়, মূল কথা হৈছে, — সামাজিক আৰু সাংস্কৃতিক বিকাশেই আচল কথা। এই বিকাশৰ মূখ্যতম কথাটো হৈছে শিক্ষা। সেই কাৰণেই আমাৰ মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়াই কোৱাৰ দৰে সংবিধানৰ স্ৰষ্টা সকল অকল ৪৫ ধাৰাতে আবদ্ধ হৈ থকা নাছিল। তাৰ পিছত সংবিধানত আৰু এটা ধাৰা সন্নিবিষ্ট কৰিছিল আৰু সেইটো হৈছে ৪৬ নম্বৰৰ ধাৰাটো। সমাজৰ আটাইতকৈ দুৰ্ব্বলতৰ অংশটোৰ কাৰণে সম্ভৱপৰ সকলো দিশৰ পৰাই যাতে কল্যাণ সাধিব পাৰি তাৰ কাৰণে নজৰ দিবলৈ সংবিধানত ব্যৱস্থা সন্নিবিষ্ট কৰিছিল। সংবিধানত ১০ বছৰৰ ব্যৱস্থা ৰাখিলেও ৫ বছৰৰ ভিতৰতে সেইটো কৰিব পাৰিব লাগিছিল। তাৰ কাৰণে প্ৰথম অৱস্থাতে সংবিধানত সমাজৰ দুৰ্ব্বলতৰ লোক সকলৰ উন্নয়ণৰ কাৰণে ১০ বছৰীয়া ব্যৱস্থা ৰাখিছিল। যি সকল সংবিধানৰ ৰচয়িতা আছিল সেই সকল প্ৰকৃততে জনাবুজা দেশপ্ৰেমী লোক আছিল। সেইসকল জাতীয় আন্দোলনৰ পিছত 'এক্সাইজ'ৰ পিছত ঘূৰি যোৱা নেতা নাছিল। সেই সকলে জীৱনত বহু কষ্ট স্বীকাৰ কৰি, বহু সংগ্ৰাম কৰি অন্তৰৰ অন্তৰতম্ স্থানৰ পৰা দেশক ভাল পাই দেশ নেতা হিচাবে স্বীকৃত হৈয়ে সংবিধান ৰচনা কৰিছিল। সকলো বিলাক বিষয়ৰ লগত সংযোগ ৰাখিহে তেওঁলোকে এই সংবিধান ৰচনা কৰিছিল। তেওঁবিলাকে এই ১০ বছৰৰ ব্যৱস্থা এই কাৰণেই ৰাখিছিল যে, ১০ বছৰৰ পিছত যাতে আৰু বিশেষ ব্যৱস্থা ৰাখিবলগীয়া

অৱস্থা নেথাকেগৈ । কিন্তু অতি পৰিতাপৰ কথা যে, যিখিনি কৰিব লাগিছিল আৰু যিখিনি কৰাটো নৈতিকতাৰ ফালৰ পৰাও উচিত আছিল সেইখিনি নকৰিলে । ইয়াৰ কাৰণ হৈছে যেতিয়ালৈকে সংৰক্ষণৰ ব্যৱস্থা থাকিব তেতিয়ালৈকেই সংৰক্ষণৰ যোগেদি অহাৰ ব্যৱস্থা থাকিব আৰু যেতিয়াই এই সংৰক্ষণ নাইকীয়াহৈ যাব সেই দিনাই নিজৰো সংৰক্ষণ নাইকীয়া হৈ পৰিব । এখন যদি শ্ৰেণী বিহীন সমাজ গঠন হয় যত উচ্চ নীচ, ধনী দুখীয়া, জাত বিজাতৰ প্ৰশ্ন নেথাকিব, যত অন্ততঃ ১৪ বছৰলৈকে মেট্ৰিক পৰ্য্যায় পৰ্য্যন্ত যদি শিক্ষা পায় সংবিধানৰ ৪৬ ধাৰামতেই যদি এই খিনি কৰা হয় তেতিয়া হলে, সমাজত খেতিয়ক, মজদুৰৰ, আদি নাইকীয়া হৈ যাব বুলি যুক্তি দেখুৱাই যি সকলে অতি জঘন্য আৰু নিৰ্লজ্জ ভাবে শাসন-শোষণ নিষ্পেষণ চলাই যোৱাৰ কাৰণে নিজৰ পথ প্ৰসস্থ কৰাৰ চেষ্টা কৰে সেইসকলেই সংবিধানৰ এই ব্যৱস্থা বিলাক তেওঁলোকৰ অনুকূলে চলি থকাৰ ব্যৱস্থা কৰি লয় । কাৰণ এজ্বাৰত সৰু চাকি এটায়েই পোহৰ দিয়াৰ নিচিনাকৈ আৰু বৰ গছ নোহোৱা ঠাইত এৰা গছেই বৰ গছ হোৱাৰ প্ৰয়াস কৰে । দেশৰ কাৰণে ৰাষ্ট্ৰৰ কাৰণে এটা পজিটিভ চাইড আছে ।

এই ধৰণৰ শ্ৰেণীগত, গোষ্ঠীগত আৰু স্বাৰ্থপৰতাৰ অভাব নোহোৱা নহয় কিন্তু সেইটো হৈছে নীতিবাচক কথা, সেইটো হৈছে নিগেটিভ চাইদ কিন্তু দেশৰ কাৰণে এটা পজিটিভ চাইদ আছে । সেই কথাটো ৰৰা ডাঙৰীয়াই উল্লেখ কৰিছে । আজি আমাৰ দেশত যি ধৰণে জনসংখ্যা বাঢ়িছে কিন্তু ইয়াৰ তুলনাত আমাৰ সম্পদ বঢ়া নাই আৰু তাৰ ফলত দেশত এটা সংকট হৈছে আৰু ই ঘনিভূত । এই প্ৰসংগত এটা কথা কব বিচাৰিছো সেইটো হল জনসংখ্যাৰ লগত শিক্ষাৰ এটা গধুৰ সম্পৰ্ক আছে । অধ্যক্ষ মহোদয় আপুনি জানে এইবাৰ নিৰ্ব্বাচনৰ সময়ত উত্তৰ প্ৰদেশ, বিহাৰ, আৰু কিছুমান পিচপৰা অঞ্চলত জনসংখ্যা নিয়ন্ত্ৰণ নাইবা ফেমিলি প্লেনিংৰ লগত জৰিত ঘটনা সমূহে এই নিৰ্বাচনৰ সময়ত এটা

আলোৰণৰ সৃষ্টি কৰিছিল আৰু এই নিৰ্ব্বাচনৰ ফলাফলৰ ওপৰত যথেষ্ট প্ৰভাব পেলাইছে এই কথা আমি স্বীকাৰ কৰিব লাগিব। ফেমিলি প্লেনিং বা পৰিয়াল পৰিকল্পনা বা জন্ম নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যিবিলাক অত্যাচাৰ উত্‌পীড়ন হৈছে সেই বিলাক বেয়া কথা। জনসাধাৰণে নিয়ন্ত্ৰন, স্বেচ্ছা প্ৰণোদিত ভাবে নকৰিলে কেনেকৈ জন্মনিয়ন্ত্ৰন কৰিব। দাৰিদ্ৰতা, অজ্ঞান আৰু জনসংখ্যা বৃদ্ধি সেইকেইটা একেলগেই যায়, যিমানেই দৰিদ্ৰ আৰু অশিক্ষিত হয় সিমানেই জনসংখ্যা বৃদ্ধি হয় তাৰ আৰু নানা কাৰণ আছে। সেইবিলাক ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই সেইবিলাক সকলোৱে জানে। গতিকে আমি যদি জনসংখ্যা নিয়ন্ত্ৰণ কৰিব বিচাৰো আৰু সেইটো যদি স্বেচ্ছা প্ৰণোদিত ভাবে কৰিব খোজো তেতিয়া হলে সেই ক্ষেত্ৰত শিক্ষাৰ প্ৰয়োজন অনস্বীকাৰ্য্য। আপুনি জানে যে কিছুমান লোকে নিজৰ পৰিয়ালটো সৰু কৰিব বিচাৰে কিয়নো তেওঁলোকে যাতে সৰু পৰিয়াল হৈ সুখ-স্বাচ্ছান্দ্যৰে দিন কটাব পাৰে। কিন্তু আনহাতেদি তেওঁলোকে যৰপৰা ভোট পাব পাৰে সেই পকেট কন্‌সটিটিউএনচি, যিবিলাকৰ পৰা ভোট পাব পাৰে সেইবিলাকত নানা কাৰণত প্ৰচাৰ কৰে যাতে তেওঁলোকৰ স্বাৰ্থ সিদ্ধি হয়। জন্ম নিয়ন্ত্ৰণ বা পৰিয়াল পৰিকল্পনাৰ কাৰণে চৰকাৰৰ পক্ষৰ পৰা জোৰ যবৰদস্তিৰ কোনো প্ৰয়োজন নাই। কেৱল কিছুমান সুবিধাবাদী পাৱত গজা নেতৃত্বৰ কাৰণে যিসকলে লেডাৰ কৰি লৈ লিডাৰ হয় আৰু জনসাধাৰণৰ কান্ধত উঠি লাঠি মাৰি নিজৰ স্বাৰ্থ সিদ্ধি কৰে সেইসকলৰ কাৰণে বেচিকৈ প্ৰয়োজন হয়। জনসংখ্যা বৃদ্ধিৰ যিটো সমস্যা সেইটো এটা বিৰাট সমস্যা। এই সমস্যা সমাধান কৰিবৰ কাৰণে শিক্ষা অপৰিহাৰ্য্য। যিমানেই বল প্ৰয়োগ কৰা নহওক কিয় জন্মনিয়ন্ত্ৰণত কেতিয়াও বাধ্য কৰিব পৰা নাযায়। আগতে যিধৰণে স্বাস্থ্য জনিত কাৰণত লৰা ছোৱালীৰ (চাইল্ড মৰটেলিটি) মৃত্যু বেচি আছিল এতিয়া চিকিত্‌সাৰ উন্নতিৰ লগে লগে মৃত্যুৰ হাৰ কমি আহিছে। আৰু প্ৰসুতিৰ সময়ত হোৱা অকাল মৃত্যুৰ পৰা হাত সাৰিব পৰা হৈছে। লংগিভিটিও কিছু বৃদ্ধি হৈছে। গতিকেই জনসংখ্যা এইবিলাক কাৰণত

কিছু বৃদ্ধি হব পাৰে। যদি আমি উত্‌পাদন বৃদ্ধি কৰিব লগা হয়েই তেতিয়া হলে সেই পুৰণি বঢ়া হালোৱা কেইটাক লৈ হো হো কৰি আৰু কেকোৰা নাঙলেৰে উত্‌পাদন বৃদ্ধি কৰিব নোৱাৰো। তাৰ কাৰণে আমি বৈজ্ঞানিক পদ্ধতিৰ আশ্ৰয় লব লাগিব। অকল কৃষি কিয়, শিল্প আৰু আন আন সকলো ক্ষেত্ৰতে আমি বৈজ্ঞানিক পদ্ধতি লব লাগিব। আগৰ সেই পুৰণি গোবৰ খিনিকে পথাৰত দি খেতি কৰাৰ দিন নাই। তাৰ কাৰণে লাগিব বৈজ্ঞানিক পদ্ধতিত লোৱা ৰাসায়নিক সাৰৰ উপযুক্ত ব্যৱহাৰ আৰু সেইবিলাক কথাৰ প্ৰতি বিশেষভাৱে নজৰ দিব লাগিব। গতিকে কৃষি মন্ত্ৰীয়ে যেতিয়া শিক্ষা বিষয়ত আলোচনা চলি থাকে তেতিয়া সেইটো তেওঁৰ বিষয় বস্তু নহয় বুলি অন্য বাহিৰা গল্প মাৰি বহি থাকিলে নচলিব। কাৰণ আমাৰ অৰ্থনৈতিক বিকাশৰ কাৰণে আৰু অৰ্থনৈতিক শ্ৰীবৃদ্ধিৰ কাৰণে নিৰ্ভৰ কৰিব আমি কিমান খিনি শিক্ষা পাইছো, আমাৰ কিমান খিনি চেতনা আছে, আমাৰ কিমান খিনি প্ৰেৰণা আছে তাৰ ওপৰত। যদি আমি কেৱল এজন গ্ৰাম সেৱকক সৰ্ব্বজান হিচাবে ধৰি লও, একেবাৰে প্ৰসুতিৰ পৰা আৰম্ভ কৰি শিল্প, শিক্ষা আৰু উত্‌পাদন সকলো ক্ষেত্ৰতে সৰ্ব্বজান বুলি ধৰো তেতিয়াহলে কেনেকৈ চলিব। গতিকে শিক্ষাৰ বিস্তাৰ এই ক্ষেত্ৰত অত্যন্ত প্ৰয়োজন। আমাৰ কৃষি মন্ত্ৰীয়ে কিছুদিন আগতে আমাৰ ফখৰুদ্দিন চাহাব কৃষিমন্ত্ৰী হৈ থকা কালতে পাঞ্জাব কৃষি বিশ্ববিদ্যালয়লৈ গৈছিল আৰু তাত কৃষিৰ বিষয়ে যিবিলাক আলোচনা হৈছিল আৰু কৃষিৰ উন্নতিৰ ক্ষেত্ৰত কেনেদৰে ব্যৱস্থা লোৱা হৈছিল আৰু উত্‌পাদন কেনে হৈছে সেই বিষয়ে কৃষি মন্ত্ৰী মহোদয়ে মোতকৈ বহুত বেছি জানিব আৰু বুজাই দিব পাৰিব।

তেখেতে নিশ্চয় এইটো ভালকৈ জানে। তেখেতৰ চৰকাৰক এইটো ভালকৈ বুজাই দিব পাৰিব। লুধিয়ানা কৃষি বিশ্ববিদ্যালয়ৰ যি গবেষণা সেই গবেষণা বিলাক স্বকীয় আৰু নেতৃত্বমূলক আৰু তাত অংশ গ্ৰহণ কৰে প্ৰকৃত কৃষকে। তাৰ যি সকল খেতিয়ক সেই সকলৰ ভাল শিক্ষা

আছে। তেওঁলোক এগ্ৰিকালচাৰেল গ্ৰেজোৱেট আৰু পৰীক্ষা পাছ কৰি আৰু চাকৰি বিচাৰি ঘূৰি নুফুৰি তেওঁলোকে নিজেই খেতি কৰি নতুন নতুন ধৰণে কেনেকৈ আগ বাঢ়িব পৰা যায়, সাৰ কেনেকৈ দিব পাৰি পানী কেনেকৈ ব্যৱহাৰ কৰা যায় ইত্যাদি কথা চিন্তা কৰে। কেইবছৰ মানৰ আগতে ভাৰতলৈ মেক্সিক'ৰ পৰা গমৰ হাইব্ৰিড অনা হৈছিল যিটো ভাৰতৰ তুলনাত উত্‌পাদন বহুতো বেছি আছিল। কিন্তু পঞ্জাবৰ কৃষক সকলে শিক্ষাৰ ক্ষেত্ৰত এনেধৰণে মনোনিবেশ কৰিছিল যে সেই শিক্ষাই তেওঁলোকক বিমুক্তি কৰি চকু মুকলি কৰিব। এই শিক্ষাৰ দ্বাৰাই তেওঁলোকৰ চকু মুকলি হ'ল আৰু তাৰ ফলস্বৰূপে মেক্সিকৰ হাই ব্ৰিড পিচ পৰি থাকিল। লুধিয়ানা ঘেহুৱে পৃথিবীৰ নাম কৰি বিখ্যাত হ'ল। এই ঘেহুৱে গোটেই পঞ্জাবকে নহয় সমগ্ৰ ভাৰতবৰ্ষকে খোৱাব পাৰে। পঞ্জাব চৰকাৰৰ বহুতো দুখ ত্ৰুটি থাকিব পাৰে বা উত্‌পাদন আৰু বেচি কৰাৰ সম্ভাৱনা থাকিব পাৰে গতিকে হয়তো বাইজে ভোট দিয়া নাই সেইটো বেলেগ কথা। আজি পঞ্জাবকে চাই হাৰিয়ানা, তামিলনাডু, মহাৰাষ্ট্ৰ আদিয়েও এই খেতি কৰিছে। পঞ্জাবে শিক্ষা বিস্তাৰৰ কাৰণে যিমানখিনি মেহনত কৰিছিল তেনে মেহনেত কৰা হলে আমাৰো কেতিয়াও দুৰবস্থা নহ'ল হয়। ইয়াৰোপৰি আমাৰ উত্‌পাদন কম হৈছে। যোৱা বছৰত কৰিব লাগিব বুলি আমাৰ ৰাষ্ট্ৰৰ সংবিধানে যিটো দায়িত্ব দিছিল সেইটো আজি ৪০ বছৰেও কৰিব পৰা নাই। অৱশ্যে পাপ কৰিলে কোনোবাই আৰু প্ৰায়শ্চিত্ত হৈছে কাৰোবাৰ। অকল সেয়ে নহয় সৰু সুৰা যিবিলাক কুটিৰ শিল্প বা অন্যান্য সৰু শিল্প আৰু কাৰিকৰি বিদ্যা আছে সেই বিলাকত আমাৰ যিসকল উদীয়মান ডেকা গাভৰু তেওঁলোকৰ মন প্ৰাণ লগাই লাগিবলৈ দিব লাগে। অৱশ্যে ইয়াৰ বাবে প্ৰাথমিক শিক্ষা অপৰিহাৰ্য্য আমাৰ যিসকল দেশপ্ৰেমিকে ফাটেক খাইছিল যি সকলে প্ৰথমে চৰকাৰ কৰিছিল সেইসকলে এইটো অনুভৱ কৰিছিল আৰু ১৯৫০ চনৰ পিচত তেওঁলোকে শিক্ষা বিস্তাৰ কৰাৰ বাবে আনুষ্ঠানিক স্কুলৰ ওপৰত আৱদ্ধ নেথাকি যিসকল সাবালক অৰ্থাত্‌ ১৪ বছৰৰ ডাঙৰ সেইসকলৰ মাজত

নিৰক্ষৰতা দূৰীকৰণ কৰিবৰ বাবে অভিযান চলাইছিল। আৰু জনশিক্ষা আঁচনি লৈছিল। ১৯৫১ চনৰ চেনচাচ মতে অসমত শিক্ষিত সংখ্যা আছিল শতকৰা ২২ নে ?ক ? ১৯৬১ চনত চেনচাচৰ সংখ্যা শতকৰা ৩০ হয়গৈ আৰু ১৯৭১ চনত চেনচাচৰ শতকৰা ২৮ পালেহি। সাধাৰণতে সকলো মানুহ উন্নতি পথত আগুৱাই যাবলৈ বিচাৰে কিন্তু আমাৰ ক্ষেত্ৰত দেখা গল এই কংগ্ৰেছ চৰকাৰে আগ বঢ়াব নোৱাৰি পিচৰ ফালেহে টানিলে। এইটো কেনেকৈ হল। প্ৰথম অৱস্থাত জনশিক্ষা অভিযান যি হিচাবে চলিছিল পিচলৈ ক্ৰমে এইটো ষ্টিমিত হৈ গল। বয়স্থলোকৰ কথাই নাই বাহিৰৰ পৰা অহা ৰিফিউজী সকলৰ কথাই নাই লৰা-ছোৱালী স্কুললৈ আহিছেনে নাই এই বিষয়ে ভাল ধৰণে মনোনিবেশ কৰা হোৱা নাছিল। ইয়াৰোপৰি যিবিলাক চৰ অঞ্চল বা পিছপৰা অঞ্চল আছে সেই বিলাক অঞ্চলৰ লৰা-ছোৱালী আহিছেনে নাই সেইটো খবৰ নকৰি কাৰ কিমান অওহি বওহিয়ে চাকৰি পালে সেইটোহে প্ৰধান নজৰ হৈ পৰিছিল। অৱশ্যে ইয়াৰ প্ৰতিবিধানৰ কাৰণে আমাৰ এম, এল, এ আদি সকলকো দায়িত্ব দিয়া হৈছিল। কিন্তু এম, এল, এ কি কৰিলে নকৰিলে সেই সকলো কথা জনসাধাৰণে জানে। সেইবাবে আমাৰ নিজৰ অন্তদৃষ্টি আত্ম সমালোচনা আদি প্ৰয়োজন। শাসনৰ গাদীত যিসকল আছে সেইসকলেও এইটো বুজা উচিত। আমি এতিয়া সজাগ হবৰ হল। কিন্তু স্পৰ্শকাতৰ কোন ফালৰ পৰা হব লাগিব সেইটো কথাও চিন্তা কৰিব লাগিব। নিকা ফালৰ পৰাই দুৰ্ব্বলতা দূৰ কৰি দৃষ্টিভংগী স্পষ্ট কৰিব লাগে। ৰবা ডাঙৰীয়া শান্ত শিষ্ঠ ভদ্ৰলোক গতিকে ক্ষোভ প্ৰকাশ নকৰাকৈ কব পাৰিলে! কিন্তু মই সেই পৰ্য্যায়লৈ উঠিব পৰা নাই। হয়তো সেই বাবেই মোৰ অলপ উষ্মতা প্ৰকাশ পাইছে। কোনো সত মানুহে অন্তৰে অন্তৰে যথেষ্ট পৰিমাণে উষ্মা - নোহোৱাকৈ থাকিব নোৱাৰে। দেশৰ জনসাধাৰণৰ যে ব্ৰত এনে ডাঙৰ বিশ্বাসঘাটকতা কোনেও কেতিয়াও কাকো কৰা নাই। মানুহে ভাত নেখাই থাকিব আৰু তাৰ ঠাইত গাৰো মিকিৰ পাহাৰৰ মানুহৰ দৰে আলু কচু খাই জীৱন নিৰ্বাহ কৰিব পাৰে। কিন্তু

মানৱত্ব হৈছে এনিমেলিটি আৰু নেচনিলিটি মাজৰ প্ৰাৰ্থক্য আনি দিয়ে। ইয়াতকৈ ডাঙৰ পাপ বা অপৰাধ একো হব নোৱাৰে ।

কিন্তু প্ৰত্যেক কথাৰে মানবত্ব অৰ্থাত এনিমেলিটি আৰু ৰেচনেলিটি এই দুইটাই হৈছে প্ৰথম মাপ কাঠি। সেই মাপকাঠিৰ ভিতৰত শিক্ষা, সেই শিক্ষাৰ পৰা যদি মানুহক বঞ্চিত কৰা হয়, সেই পোহৰৰ পৰা যদি মানুহক বঞ্চিত কৰা হয় তেনেহলে তাতকৈ ডাঙৰ পাপ, তাতকৈ ডাঙৰ অপৰাধ আন একোৱেই হব নোৱাৰে। বিশেষকৈ যদি সেই অপৰাধ জানি কৰা হয়, বৰা ডাঙৰীয়াই কৈছিল যে নাজানি কৰা পাপ তিলৰ সমান আৰু জানি কৰা পাপ মেৰুৰ সমান। ব্যক্তিগত জীৱনত সঁচা কিন্তু এটা চৰকাৰ বা যিহেতু চৰকাৰ এটা সুসভ্য বুলি প্ৰকাশ কৰা হয় সেই সুসভ্য চৰকাৰ এটাৰ কাৰণে কিন্তু এই পাপত ডাঙৰ মেৰু কিমান যে আহি লগ লাগিব সেইটো মই কব নোৱাৰো। সেই কাৰণে মই কওঁ এইটো সংবিধানৰ প্ৰতি জঘন্যতম অপৰাধ কৰা হৈছে, জনসাধাৰণৰ প্ৰতি জঘন্যতম অপৰাধ কৰা হৈছে এইটো আঁতৰালে এতিয়াও সময় থাকোতে অহোপুৰুষাৰ্থ কৰিব লাগিব লাগে। কিয়নো মৰিবৰ সময়তো মকৰধ্বজ খাই কেতিয়াবা লাভ আছে। কিন্তু এই চৰকাৰৰ আৰু এসপ্তাহো নাই খুব বেছি এমাহ হয়তো থাকিব পাৰে কিন্তু তাৰ বেছি নাথাকে গতিকে এতিয়া আৰু কৈ কি লাভ এইটো চৰকাৰ নাথাকে যে এইটো ঠিক, আৰু থকাৰো উচিত নহয়। বৰা ডাঙৰীয়াই কৈছিল যে কুশল কোঁৱৰদেৱে মৰিবৰ আগদিনাও যিটো শিলাবাটিত আহাৰ খাইছিল সেইটো পিচদিনাখন ব্ৰহ্মমুহূৰ্ত্ততে তেওঁৰ ফাচী হব বুলি জানিও ধুই থৈছিল। তেওঁক সোধাত তেওঁৰ পিচৰজনে আহি ভাত আহাৰ খাব লাগিব বুলি কৈছিল। মৰিবৰ সময়তো 'পাৰ কৰা দীননাথ' বুলি গীত গাই বাটিটো ধুইছিল। আমাৰ সাধুকথা বিলাকত কোৱা হয় যে মৰিবৰ দিনাও মানুহে গছ কই যাব লাগে কিন্তু সেই গছৰ ফল খাবলৈ তেওঁ বাচি নাথাকিলেও, তেওঁ মৰিলেও মানৱ সমাজ নমৰে। তেওঁৰ পিচত যিসকল আহিব সেই

সকলে সেই গছৰ ছাত আশ্ৰয় লব আৰু যদি সেই গছ ফলৰ গছ হয় তেতিয়াহলে তেওঁৰ পিচৰ সকলে সেই গছৰ ফল খাবলৈ পাব। এই সাধু কথা বিলাকৰ মূল্য আছে। হাজাৰ হাজাৰ লাখ লাখ বছৰৰ অভিজ্ঞতাৰ পৰা সজোৱা সাধু কথা বিলাকৰ যথেষ্ট মূল্য আছে। সেয়ে যদি এই চৰকাৰৰ মানৱত্ব আছে যদি ভাৱে মৰিবৰ সময়তো অলপ পূণ্য কৰি মৰা ভাল যদি কিবা পাপ কটা যায় যাওক এই ভাবি তেনেহলে সময়ৰ ত্ৰুটি নকৰি সংবিধানত দিয়া কৰ্ত্তব্য পালন কৰিবলৈ যিসকলৰ ককালত টঙালি আছে বান্ধি আৰু যিসকলৰ নাই আঁচলতে ভালকৈ টানি লওক তেতিয়াহলেও ৰাইজে অলপমান ক্ষমা কৰিব। নহলে ৰাইজেই জনতা, জনতাই জনাৰ্দ্দন। এই পৃথিবীৰ জনতাৰ বাহিৰেও অইন জনতা ভগবান তেওঁ কাকো ক্ষমা নকৰে। সংবিধানৰ ওপৰত কৰা অত্যাচাৰ, জনসাধাৰণৰ ওপৰত কৰা অত্যাচাৰ এই সকলো খিনি কথাৰ বাবে পুনৰবাৰে সকিয়াই দি বৰা ডাঙৰীয়াৰ প্ৰস্তাৱটো সমৰ্থন কৰিছো।

*শ্ৰীনগেন বৰুৱা :– মাননীয় অধ্যক্ষ মহোদয়, মই বৰা ডাঙৰীয়াই অনা প্ৰস্তাৱটো সমৰ্থন কৰি কেইটামান কথা কব বিচাৰিছো। আমাৰ মাননীয় সদস্য শ্ৰীভট্টাচাৰ্য্য ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি কোৱাৰ পিচত মই ভাবো যে চৰকাৰৰ সমৰ্থকসকলে বা চৰকাৰে এই প্ৰস্তাৱটো গুৰুত্বসহকাৰে আৰু সংবিধানৰ যি দায়িত্ব সেই দায়িত্বৰ ফালৰপৰা এই প্ৰস্তাৱটো সমৰ্থন কৰিব আৰু এই প্ৰস্তাৱটো কাৰ্যকৰী কৰাৰ কাৰণে ব্যৱস্থা লব।

অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটো যদি তেখেতসকলে সমৰ্থন কৰে ভাল কথা, নকৰিলে এই প্ৰস্তাৱটোত আমাৰ কবলগীয়া একো নাই। কিন্তু এটা কথা ঠিক যে আৰু ভট্টাচাৰ্য্য ডাঙৰীয়াইও কৈছে যে চৰকাৰে ৰাইজৰ বা জনসাধাৰণৰ প্ৰতি এই সংবিধান গৃহীত কৰাৰ ত্ৰিশ বছৰ ধৰি যি ফাকি দি আহিছে বা বিশ্বাসঘাটকতা কৰিছে সেইটো পুনৰবাৰ কৰি

* Speech not corrected

থকাৰ কাৰণেইহে যদি এই প্ৰস্তাৱ চৰকাৰ পক্ষৰ পৰা নামঞ্জুৰ কৰে। কিয়নো যিখিনি কথাৰে বা যিখন সংবিধানৰ নামত শপত খাই দেশত ৰাজত্ব কৰিছে, দেশৰ জনসাধাৰণৰ নেতৃত্ব দিছে সেই সংবিধানৰ বিশেষ ধাৰাত কোৱা হৈছিল যে চৈধ্য বছৰ বয়স পৰ্য্যন্ত শিশুক বিনামূলীয়া শিক্ষাই নহয় বাধ্যতামূলক শিক্ষা দিয়া দৰকাৰ। সেই ধাৰা অৱহেলা কৰি অহা হৈছে। সকলোবোৰ কথাই সংৰিধানলৈ টানি নিয়া হয় কিন্তু সংবিধানৰ এই ধাৰামতে বাধ্যতামূলক শিক্ষাই হওক বা বিনামূলীয়া শিক্ষাই হওক এই ধাৰাক অৱমাননা কৰি উলাই কৰি অহা হৈছে। ইয়াৰ দ্বাৰা বিশ্বাসঘাটকতা কৰি দেশৰ জনসাধাৰণৰ আশাৰ ওপৰত কুঠাৰাঘাট কৰা হৈছে। ইয়াৰ ফলত আমাৰ দেশত দৰিদ্ৰতা বৃদ্ধি হ'ল, আমাৰ দেশত নিৰক্ষৰতা বৃদ্ধি হল, অজ্ঞতা বৃদ্ধি হল। আৰু এই অজ্ঞতা আৰু নিৰক্ষৰতাৰ লগে লগে ব্যভিচাৰ বাঢ়ি গৈছে। কিছুমান ভট্টাচাৰ্য্য ডাঙৰীয়াই উল্লেখ কৰিছে। এই ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক ব্যভিচাৰৰ ভিতৰত ৰাজনৈতিক ব্যভিচাৰ শাসকগোষ্ঠীয়ে চলাইছে। সেই বিলাক কথা উল্লেখ কৰিবলৈ গলে ইয়াত শেষ নহব। দেশৰ বিশাল জনসমুদ্ৰ অশিক্ষিত হৈ আছে, নিৰক্ষৰ হৈ আছে আৰু সেই নিৰক্ষৰতাৰ সুযোগ লৈ জনসাধাৰণৰ ওপৰত নানা ৰকমৰ শোষণ কৰা হৈছে। সেই শোষণ গুছাবলৈ মহাত্মা গান্ধীয়ে বৃটিচৰ হাতৰ পৰা স্বৰাজ বিচাৰিছিল, কিয়নো অজ্ঞতা গুছাবলৈ, দাৰিদ্ৰতা গুছাবলৈ, নিৰক্ষৰতা গুছাবলৈ আমাক স্বৰাজ লাগে। দয়া-স্নেহ কৰাৰ ব্যৱস্থা পৰাধীন দেশত নাই। সেয়ে গান্ধী-জীয়ে জাতিয়তাবাদী ভাৰত উদ্বুদ্ধ কৰিছিল কিয়নো স্বৰাজ পালেহে মানুহৰ ওপৰত মানুহৰ শোষণ বন্ধ হব অনাহকতে এজনে আন এজনক ডিঙিত গচকা মাৰি শোষণ কৰিব নোৱাৰে আৰু তেতিয়াহে দেশৰ সম্পদৰ সমান ভাৱে বিতৰণ হব আৰু নিৰক্ষৰতা আঁতৰি যাব।

মহাত্মা গান্ধীৰ যি আদৰ্শ, সপোন, আৰু পৰিকল্পনা আছিল তাত এই কংগ্ৰেছ দলে মৰহি যাবলৈ দিছে। মহাত্মা গান্ধীৰ আদৰ্শত সংবিধান

ৰচনা হৈছে। মহাত্মা গান্ধীৰ আদৰ্শ ত্যাগ আৰু ৰাইজৰ সেৱাত যিসকলে সংবিধান ৰচনা কৰিছিল সেই কথা আজি পাহৰি গৈছে। মহাত্মা গান্ধীৰ আদৰ্শত উদ্বোদ্ধ হৈ স্বৰাজৰ আন্দোলনত ত্যাগৰ ভাবৰে আগবাঢ়ি আহিছিল। সেই কাৰণে সংবিধানত বিশেষ ধাৰা সোমোৱাই ৰাখিছে। বিৰাট জন সমুদ্ৰৰ ভৌগোলিক পৰিসীমা বেলেগ বেলেগ হলেও সংবিধানত সংকল্প কৰিছে যে ১০ বছৰৰ ভিতৰত নিৰক্ষৰতা থাকিব নোৱাৰে। শিশুবিলাকক নিম্নতম শিক্ষা কণ দিবৰ যাতে অজ্ঞতাৰ সুবিধা লৈ শোষন চলিব নোৱাৰে। লগে লাগে আমাৰ চিৰকালৰ বাবে যি অজ্ঞতা আছে সি মষিমূৰ হব। সময় সাপেক্ষ কাৰ্য্যসূচী সংবিধানত দিয়া আছে। গান্ধীৰ আদৰ্শত উদ্বোদ্ধ হোৱা লোক সকলেই সংবিধানৰ এই বিলাক কাৰ্য্যকৰী কৰাৰ দায়িত্ব লৈছিল। তেওঁলোকৰ বহুতে এতিয়া অবসৰ লৈছে আৰু বহুতক সুযোগ লবলৈ নিদিয়া হৈছে। ক্ষমতাৰ মেৰপাকত দায়িত্ব নোসোমালে। যি সকলে স্বৰাজত নামি পোৱা নাই, গান্ধীজীয়ে কি মূল কথা কৈছিল তাক নজনাকৈ, জনসাধাৰণৰ সেৱাৰ কথা চিন্তা নকৰা সকলে কংগ্ৰেছত নামজাৰি হৈ ২০ বছৰ শাসন কৰিলে। গান্ধীজীৰ যিটো ত্যাগ আৰু সেৱাৰ মনোভাৱ আছিল তাক বিসৰ্জন দি নিজৰ কথা চিন্তা কৰি শাসনত বহিছে। তেওঁলোকে নিজৰ আৰু পৰিয়ালৰ কথা চিন্তা কৰাৰ বাহিৰে দেশৰ তথা ৰাইজৰ কথা নাভাবে। সংবিধানৰ যিটো মৌলিক দায়িত্ব তাকে পাহৰি গৈছে। পৰাধীন অৱস্থাত যি জুৰুলা অৱস্থা আছিল স্বৰাজৰ পিচত আৰু বেচি জুৰুলা কৰিলে। এটমিক ৰিচাৰ্চ চলিছে বা বহুত কিবা কিবি হৈছে বুলি কব পাৰে। বিশ্ববিদ্যালয় ইমান আছে, কলেজ ইমান আছে, মেধাবী বহুত আছে এই বিলাক কথা কব পাৰে। বিৰাট জনসমুদ্ৰৰ তুলনাত এই সংখ্যা ভেনেই নগণ্য। জনসাধাৰণৰ মাজত কিমানখিনি ফুল অকাৰণত মৰহি গৈছে? প্ৰত্যেকেই পৃথিবীত জন্ম গ্ৰহণ কৰিছে আৰু নিজকে মুক্ত কৰিবলৈ সকলো সুবিধা পাব লাগে। তেওঁলোকৰ মাজত যি প্ৰতিভা আছে তাক বিকশিত কৰিবৰ কাৰণে শিক্ষা পোৱাটো নিতান্তই দৰকাৰ। তাকে নকৰি আজি সমাজক শোষন কৰিছে। এই শোষন কৰি-

বলৈ আৰু জনসাধাৰণে কিমান দিন দিব ? এই অধিকাৰ নিশ্চয় জনসাধাৰণে আৰু নিদিব। এই কথাৰ গুৰুত্ব উপলব্ধি কৰি কেনেকৈ কাৰ্য্যকৰি ব্যৱস্থা লব পাৰা যায় তাৰ উপায় উদ্ভাৱন কৰাৰ সময় পাৰ হৈ গল। কাৰণ ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে যিটো শপত লৈছিলো বা প্ৰতিশ্ৰুতি দিছিলো তাক ১৯৭৭ চনৰ ২৬ জানুৱাৰী তাৰিখে আলোচনা কৰাটোত আমি কিমান পিচুৱাই গৈছো। এই কথা বিলাক বিবেচনা কৰা উচিত। বিভিন্ন কাৰ্য্যসূচী পঞ্চম পৰিকল্পনাৰ নামত বা অন্য ৰকম কাৰ্য্যসূচীৰ জৰিয়তে সংবিধানৰ দায়িত্ব প্ৰতিশ্ৰুতি পালন কৰিলে নিশ্চয় জনসাধাৰণে সমৰ্থন দিলেহেঁতেন। আমি আজি কিমান পিচুৱাই গৈছো এই কথা বিলাক ভাবি চাওকচোন। জনসাধাৰণৰ কাৰণে কি কৰিছে সেই বিলাক চালিজাৰি চোৱাৰ সুযোগ আৰু সময় এই চৰকাৰৰ নাই। সংবিধানত কি কি কাৰ্য্যসূচী আছে, বাজেটত কি আছে কেনে ভাবে কাম কৰিব লাগে সেই বিলাক পাহৰি গৈ নিজৰ নিজৰ কামত লাগি গৈছে। এতিয়া খেতিৰ বতৰত নাঙল চচাৰ দৰে হৈছে। আজি সময় পাৰ হৈ গল অথচ দেশত দৰিদ্ৰতা, নিৰক্ষৰত বাঢ়ি গৈছে। প্ৰকৃতিৰ সম্পদৰাজি এচাম বুদ্ধিজীবিয়ে অজ্ঞ সকলক বঞ্চিত কৰি, শোষণ কৰি ভোগ কৰিছে। জনসাধাৰণক কঙাল কৰি নিজে ভোগ কৰিছে। এই কথা বিলাক আজি উপলব্ধি কৰা উচিত। যদি ভাবে যে বিৰোধী দলৰ সদস্য শ্ৰীসোণেশ্বৰ বৰাই অনা প্ৰস্তাৱ যেতিয়া কিয় সমৰ্থন কৰিম, এই ভাব ত্যাগ কৰা উচিত। আজি যি সংবিধানত দেশ চলিছে আৰু বিধান সভা বহিছে সেই মতে এই প্ৰস্তাবটো সমৰ্থন কৰা উচিত। অকল সমৰ্থন কৰাই নহয়, ততকালেই কাৰ্য্যকৰী কৰাৰ কাৰণে কাৰ্য্যসূচী দাঙি ধৰা উচিত। প্ৰস্তাব লোৱাৰ পিচত ৰাইজৰ সকলো দায়িত্ব আহি পৰে। আৰু সেইমতে কাৰ্য্যসূচী প্ৰস্তুত কৰি কাৰ্য্যকৰী কৰিব লাগিব। গতিকে এই প্ৰস্তাবটো সমৰ্থন কৰি কাৰ্যসূচী লোৱা উচিত। মই আশা কৰিছো চৰকাৰে দ্বিতীয় বাৰ বিশ্বাসঘাটকতা নকৰিব। যদি বিশ্বাসঘাটকতা কৰে তেন্তে ৰাইজৰ দায়িত্ব, প্ৰতিশ্ৰুতি পালন নকৰাৰ বাবে ৰাইজৰ ওচৰত জগৰীয়া হব। এই খিনিকে কৈ প্ৰস্তাবটো সমৰ্থন কৰিলো।

ডা: কোষেশ্বৰ বৰা— মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে ১৪ বছৰলৈ লৰা-ছোৱালীক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰবৰ্তন কৰিব লাগে বুলি এইটো মই সমৰ্থন কৰিছো। এই প্ৰস্তাৱটো স্বাধীন হোৱাৰ ৩০ বছৰ পিচত প্ৰস্তাৱ আকাৰে আহিব লগীয়া হোৱা বাবে মই বৰ দুখ পাইছো। কাৰণ সংবিধানত স্বাধীনতা পোৱাৰ ১০ বছৰৰ ভিতৰতে সকলো লৰা-ছোৱালী সেই সময়তে শিক্ষিত কৰিম বুলি কথা দিছিল। কিন্তু এইটো একো কৰা নহল। বিশেষকৈ চাহ বাগানৰ বনুৱাসকলৰ মাজত, চৰ অঞ্চলৰ জনসাধাৰণৰ মাজত আৰু পিচৰপৰা অঞ্চলৰ মাজত আৰু উন্নত ঠাই বিলাকত যিবিলাক অতি দুখীয়া মানুহ আছে এই সকলৰ মাজত শিক্ষাৰ প্ৰবৰ্তন এতিয়ালৈকে কম হৈ আছে। এইকেইটা অঞ্চলত চৰকাৰে ইচ্ছা কৰিয়ে শিক্ষাৰ ব্যৱস্থা কৰা নাই। এই কাৰণে শিক্ষিত কৰি দিয়া নাই যদি শিক্ষিত হয় বিশেষকৈ চাহবাগানৰ মজদুৰ সকলৰ চৰ অঞ্চলৰ লোক সকলৰ, পিচপৰা অঞ্চলৰ লোকসকলৰ আৰু দুখীয়া সকলৰ মাজত যদি শিক্ষিত হৈ উঠে তেতিয়াহলে ভোটৰ জোগাৰ কৰা তেওঁলোকৰ পক্ষে টান হৈ পৰে। ইয়াৰ প্ৰমাণ বহুত বিলাক আছে। বিশেষকৈ এইবাৰ নিৰ্বাচনৰ সময়ত কংগ্ৰেছ সভাপতি শ্ৰীদেৱ কান্ত বৰুৱাই কৈছিল যে আলি আৰু কুলি থাকিলেই আমাৰ হৈ যাব। কুলি মানে মজদুৰ আৰু বনুৱা সকলৰ কথা কৈছে যিসকলক টকা, কম্বল আৰু মদ দিলেই ভোট পাই আহিছে। আলি মানে চৰ অঞ্চলৰ পমুৱা লোকসকলক অৰ্থ কৰিছে যিসকলৰ কাৰণে কংগ্ৰেছে বহুতো কৰিছো বুলি কৈ তেওঁলোকৰ পৰা ভোট দাবী কৰিছে। সংবিধানত ১৪ বছৰ বয়সলৈকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা দিয়া যিটো ব্যৱস্থা আছিল সেই ব্যৱস্থা চৰকাৰে পালন কৰা নাছিল।

শ্ৰীদেৱেন বৰা - আলি আৰু কুলি বুলি কোন মিটিঙত কৈছিলে জনাই দিব নে ?

ডাঃ কোযেশ্বৰ বৰা—বোধহয় তেখেতে সেই মিটিঙত উপস্থিত আছিল। আৰু এতিয়ালৈকে দেখা গৈছে অসমৰ চৰকাৰে একেৰাহে ৩০ বছৰ ৰাজত্ব কৰি আহিছে। সেইদৰে ভাৰততো ৩০ বছৰ ধৰি ৰাজত্ব কৰি আহিছিল। এই ৩০ বছৰ ৰাজত্ব কৰা স্বত্তেও অসমৰ জনসাধাৰণৰ যিটো দুৰৱস্থা বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত সেইটো অতি দুখলগা। আমাৰ সংবিধানমতে যি যি পিচপৰা অঞ্চল য'ত শিক্ষাৰ প্ৰসাৰ অতি কম তাত স্কুল পাতি স্কুলৰ ব্যৱস্থা কৰিব লাগে। কিন্তু এতিয়ালৈকে চৰকাৰে এই সম্পৰ্কত একো ব্যৱস্থা কৰা নাই। ৰাইজে নিজৰ লৰা-ছোৱালীৰ ভবিষ্যত চিন্তা কৰি নিজেই স্কুল পাতি চৰকাৰক তেল দি দি ১০ বছৰৰ মূৰত কোনো ৰকমে চৰকাৰৰ পৰা সাহায্য পায়। কিন্তু যি অঞ্চলত তেনেকুৱাকৈ তেল দিয়া মানুহ নাই বা কৰ পৰা মানুহ নাই সেইবিলাক স্কুলে ১০, ২০ বছৰ হোৱা স্বত্তেও কোনো ৰকমৰ সাহায্য নাপায়। যোৱা ৩০ বছৰৰ ভিতৰত চৰকাৰৰ হাতত এনেকুৱা উদাহৰণ নাই চাৰি পাচ খন স্কুল ডেফিচিত কৰিছে। ইয়াৰ বাহিৰেও কোনো পিচপৰা অঞ্চলত স্কুল পাতি দিয়া নাই। গতিকে এনেকুৱা পৰিপেক্ষিতত চৰকাৰে একো কৰা নাই বুলি আমি ন দি কব পাৰো। ৰাইজ যদি সজাগ নহলহেঁতেন তেনেহলে আজি শিক্ষা ব্যৱস্থাত যিখিনি উন্নতি হৈছে, যিবিলাক স্কুল ঠায়ে ঠায়ে হৈছে সেইবিলাক নহলহেঁতেন। গতিকে চৰকাৰে যে শিক্ষাৰ ক্ষেত্ৰত যে একো কৰা নাই এইটোৱে জলন্ত নিদৰ্শন এতিয়া যিটো ব্যৱস্থা অনা হৈছে ইয়াত এম-ই, এম-ভি, চিনিয়ৰ বেচিক আৰু হাইস্কুল ৫ম শ্ৰেণীলৈকে এই বয়সৰ ভিতৰত পৰে। এম-ভি স্কুলত মাচুল দিব নালাগে। এম-ই স্কুলত, অ, বি, চি অনুসূচীত জাতি আৰু জনজাতিৰ লৰা-ছোৱালীয়ে মাচুল দিব নালাগে। তাৰোপৰি যিবিলাক লৰা-ছোৱালী শিক্ষাত বেছি অৰ্হতা আছে সেইবিলাকেও বৃত্তি পায় আৰু মাছুল মাফ পায়। এইদৰে চালে দেখা যায় যে শতকৰা ৮০ জন ছাত্ৰই মাছুল দিব নালাগে আৰু মাত্ৰ ২০ জনেহে মাছুল দিব লাগে। কিন্তু

এই ২০ জনৰ ক্ষেত্ৰত এইবিলাক বৈষম্য কিয় আনিছে। স্কুলত ইউনিফৰম দিয়াৰ উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত যাতে কোনো ৰকমৰ বৈষম্য নাহে আৰু নিয়মানুবৰ্ত্তিতা মানি চলে। আমি কাপোৰৰ ইউনিফৰম দিলে কি হব ? যদি মনৰ ইউনিফৰমিটি আনি দিব নোৱাৰো। অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু পিচপৰা সম্প্ৰদায়ৰ লৰা ছোৱালীয়ে মাচুল দিব নালাগে বাকী বিলাকে মাচুল দিব লাগে এইটো হোৱাৰ কাৰণেই লৰা-ছোৱালীৰ মাজত মনৰ বৈষম্য আহিছে আৰু ইজনে সিজনক ঘিণ কৰিবলৈ শিকিছে।

গতিকে এই কণ কণ লৰা-ছোৱালী বিলাকৰ মাজত যদি এই ঘৃণা সৃষ্টিৰ ভাৰটো শিগাবলৈ দিও তেনেহলে ভবিষ্যতে ডাঙৰ হৈ উঠিলে সেই ভাৱ বেছি প্ৰকৃত হৈ উঠিব। শতকৰা ৮০ ভাগ লৰা-ছোৱালীয়ে যেতিয়া বিনামাচুলে পঢ়িবলৈ পায় বাকী ২০ ভাগে নো কি অপৰাধ কৰিলে ? আমি যদি এটা হিচাব কৰি চাও সেই শতকৰা ২০ ভাগক বৃত্তিৰ কাৰণে যিখিনি টকা দিও সেইখিনি টকা নিদি যদি আমি সকলোকে বিনা-মাচুলেৰে শিক্ষা দিও তেতিয়াহলে মই ভাবো আমাৰ চৰকাৰৰ টকা ৰাহিহে হব। আৰু সংবিধানৰ ১০ বছৰৰ ভিতৰত সকলোকে শিক্ষিত কৰি তোলা সংকল্পটো কাৰ্য্যকৰী হব। কিন্তু দেখা গৈছে চৰকাৰে এইটো ইচ্ছা কৰিলে কৰিব পাৰে। কিছুমান বিশেষ সুবিধা হেৰুৱাৰ ভয়তহে এইটো এতিয়ালৈকে নকৰা বুলি অনুমান হৈছে।

এই ৩০ বছৰ কাল শাসন কৰিবলৈ সুবিধা পোৱা স্বত্বেও আপোনা-লোকে শিক্ষা ক্ষেত্ৰত বেছি জোৰ নিদিলে। আপোনালোকে নিশ্চয় গম পাইছে যে নিৰ্ব্বাচনত যিমান টকা খৰছ কৰিলে এই কোটি কোটি টকা যদি শিক্ষা বিষয়ত খৰচ কৰা হলহেঁতেন- তেতিয়াহলে স্বাধীনতাৰ এই ৩০ বছৰে দেশৰ জনসাধাৰণ শিক্ষিত হলহেঁতেন আৰু তেতিয়া এইদৰে নিৰ্ব্বাচনত

হাজাৰ হাজাৰ টকা খৰছ কৰিব লগীয়া নহলহেঁতেন। পৃথিবীৰ আন আন দেশত শিক্ষা বিষয়ত বেছি টকা খৰচ কৰাৰ কাৰণে প্ৰজা সাধাৰণ শিক্ষিত হৈ উঠে আৰু আমাৰ দৰে নিৰ্বাচনত অজস্ৰ টকা খৰচ কৰিব লগীয়া নহয়। কিন্তু আপোনালোকে নিৰ্ব্বাচনত অজস্ৰ টকা খৰচ কৰি দূৰ্নীতিৰ বীজ সিচিছে। এইদৰে দূৰ্নীতি কৰি নিৰ্ব্বাচনত যিবিলাক টকা খৰচ কৰিলে- সেইখিনি কোনো উন্নয়নমূলক কাম নোহোৱাকৈ নিৰ্বাচনতেই লুপ্ত হল—আজি তাৰ পৰিণতি স্বৰূপে দেশৰ জনসাধাৰণৰ পৰা এই টকাখিনি পূৰাবৰ কাৰণে দুগুণ উঠাব লগীয়া হৈছে। এইদৰে আমাৰ মন্ত্ৰী সকলে বেছিকৈ দূৰ্নীতি কৰাৰ কাৰণে বাকী চাকৰিয়াল সকলৰ মাজতো দূৰ্নীতি বাঢ়িছে। কাৰণ আমি চাকৰিয়াল সকলৰ পৰা শুনিবলৈ পাইছো যে মন্ত্ৰীসকলক কিবা উপায়ে নিদিলেই নহয়। গতিকে মন্ত্ৰীসকলেই তেওঁলোকক দূৰ্নীতি কৰিবলৈ সুবিধা কৰি দিছে। আজি চৰকাৰে এই দূৰ্নীতি চাকৰিয়াল সকলৰ পৰা, জনসাধাৰণৰ পৰা বা ব্যৱসায়ীসকলৰ পৰা আঁতৰ কৰিব নোৱাৰিলে। সেইকাৰণে আজি পুলিচ বা প্ৰতিৰক্ষাৰ ক্ষেত্ৰত যিমান টকা খৰছ কৰিছে—সেইখিনি শিক্ষাত খৰছ কৰি যদি দেশৰ জনসাধাৰণক শিক্ষিত কৰি তুলিলেহেঁতেন—তেতিয়াহলে আমাৰ মাজত যিবিলাক দূৰ্নীতি আছে বা যিবিলাক সমাজ বিৰোধী কাম হয় সেইবিলাক লুপ্ত কৰিব পাৰিলে হেঁতেন। সেইকাৰণে দেশৰ জনসাধাৰণক শিক্ষিত কৰি তুলিবলৈ শিক্ষাত বেছি টকা খৰছ কৰিবলৈ মই চৰকাৰক উপদেশ দিছো কাৰণ আজি যদি চৰকাৰে টকাৰ অভাৱ দেখুৱায় তেতিয়াহলে শিক্ষা হব কৰ পৰা বা দেশৰ জনসাধাৰণে উৎসাহ উদ্দীপনা পাব কৰ পৰা ?

সিদিনাখন দেওবাৰে ৰেলত আহোতে এটা সাধাৰণ কথা দেখিবলৈ পাইছিলো যে আমাৰ কমপাৰ্টমেণ্টৰ পৰা এজন মানুহে ১২০ টকা চুৰ কৰি লৈ পলাবলৈ ধৰিছিল এনেতে দুজন মেলিটেৰী অফিচাৰে চুৰটোক ধৰি টকা খিনি উলিয়ালে কিন্তু তেতিয়ালৈকে পুলিছৰ খবৰ নাই।

তাৰ পাছত দুটামান ষ্টেচন পাৰ হৈ অহাৰ পাছত দুজন পুলিছ সোমালেহি। তাত দুজন মানুহে ২০ কিলো ২০ কিলো চাউল আনিছিল– তেওঁলোকৰো এজন কণা আছিল। কিন্তু পুলিছে সেই দুই মিনিট সময় ৰাখোতে কাৰ চাউল বুলি কৈ তাৰাতাৰি ৰেলৰ পৰা চাউলখিনি নমালে। আপত্তি কৰিলে কয় যে দেশত জৰুৰীকালিন অৱস্থা চলি আছে – ৰেলত চাউল নিব নোৱাৰে। তাত কোনেও মাত মাতিব পৰা নাছিল। কাজিয়াৰ কথা দূৰৰ কথা মাত মাতিলেই মানুহকে মাৰিবলৈ ধৰে। কিন্তু তেওঁলোকে কোনো উনিফৰ্ম পিন্ধি অহা নাছিল মাত্ৰ টুপী এটা পিন্ধি আহিছিল। টুপী পিন্ধিয়েই তেওঁলোকে ডিউটি কৰিবলৈ আহিছিল আৰু সেই মিলিটেৰী অফিচাৰ দুজনৰ লগত কাজিয়া কৰিছিল মাত মতাৰ কাৰণে। কিন্তু শেষত এটা কণা মানুহ আৰু তাৰ লগৰটোৰে কৰবাৰ পৰা খুজিমাগি অনা চাউলখিনি ৰেলত চাউল নিয়া বন্ধ বুলি কৈ নমাই ৰাখিলে। সেইদৰে পুলিচ বিলাকে বাটতে চাউলবিলাক ৰাখি কিছুমান খাইছে আৰু বাকীবোৰ বেপাৰ কৰি আছে। এইদৰে ধমক দি নজনা মানুহবিলাকৰ পৰা কাঢ়ি লৈ বেপাৰ কৰি আছে— সেইবিলাক হলে কোনেও ধৰা নাই এইবিলাক আজি কিয় হবলৈ পাইছে ? আমি দেখিছো আন আন স্বাধীন দেশত কোনো মানুহে কিবা বিপদত পৰিলে পুলিছে সহায় কৰি ঠিক কৰি দিয়ে – কিন্তু আমাৰ দেশত পুলিছবহে উতপাত বেছি – যাত্ৰীসকলৰ ওপৰত নানা জঞ্জাল লগাই টকা-পইচা লুতপাট কৰিছে। কেইদিনমানৰ আগতে তেনেকুৱা এটা ঘটনা জাগিৰোড পুলিচ ষ্টেচনত হোৱা শুনিবলৈ পাইছিলো – কিমানদূৰ সত্য নাজানো – কিন্তু কণা মানুহকেইজনে খুজিমাগি অনা ১০।২০ কিলো চাউল জোৰ কৰি নিয়াতো মানুহকেইজনে খুজিমাগি অনা ১০।২০ কিলো চাউল জোৰ কৰি নিয়াতো দুখৰ কথা। তেতিয়া আমি মাত মতা হলে আমাকো মাৰিলেহেঁতেন।

গতিকে এই ১৯ মাহে দেশত স্বাধীনতা আছিল বুলি কোনেও ভাবিব নোৱাৰে আৰু এই ১৯ মাহৰ ভিতৰতেই এনেবিলাক কাম বেছিকৈ হব

ধৰিছিল । এতিয়া যে কেন্দ্ৰত জনতা চৰকাৰে শাসন কৰিছে—সেই কথা গম নাপায় আৰু জৰুৰীকালিন অৱস্থা চলিয়েই আছে বুলি ভাবি আছে । গতিকে আমাৰ দেশৰ জন সাধাৰণ অশিক্ষিত হোৱাৰ কাৰণেহে এনেবিলাক হবলৈ পাইছে । কাৰণ তাত যিবিলাক পুলিচ কনিষ্টবলৰ কাম কৰিছে—সেইসকলৰ প্ৰায়েই সপ্তম বা অষ্টম মানলৈহে পঢ়া । সেইকাৰণে এই ১৯ মাহৰ ভিতৰত যিখিনি ডকাইটি কৰিলে বা টকা পইচা লুটপাট কৰিলে নাইবা যিখিনি জনসাধাৰণৰ ওপৰত অত্যাচাৰ কৰিলে—সেইবিলাক উচ্চ শিক্ষা বা শিক্ষিত নোহোৱাৰ বাবেই হৈছে । তেনেকৈয়ে আমাৰ দেশত শিক্ষাৰ অভাৱৰ সময়ত চৰকাৰে শিক্ষাৰ বহুল প্ৰচাৰৰ বাবে যিখিনি দায়িত্ব লব লাগিছিল—সেইখিনি আওকাণ কৰাৰ বাবে এনেকুৱা হবলৈ পাইছে । বিশেষকৈ দেশৰ পিচপৰা অঞ্চলত বা দুখীয়া ট্ৰাইবেল সকলৰ বাবে নাইবা চাহবাগিচাৰ মজদুৰ সকলৰ বাবে চহৰ অঞ্চলবিলাকত ভাল ভাল শিক্ষানুষ্ঠান গঢ়ি উঠিব লাগিছিল । আমাৰ ইয়াত মজদুৰ সকলৰ ফালৰ পৰা অহা কেইজন মান মাননীয় সদস্য ও দুই এজন মন্ত্ৰীও আছে । তেখেত সকলে নিজেই জানে যে আজি চাহ বাগান বিলাকত মজদুৰ সকলৰ শিক্ষা কি হৈছে ? নামত এখন এল, পি স্কুল আছে, কিন্তু কামত নাই । শিক্ষকজনে বাগানৰো কাম কৰিব লাগে—বাগানৰ কাম খিনি যদি নকৰে তেন্ত চাকৰিও বেছি দিন নাথাকে । তাৰোপৰি যি কেইজন ছাত্ৰত শিক্ষাত বা পঢ়াত ভাল সেইসকলে হাইস্কুল বা এম, ই স্কুল তাত নথকাৰ কাৰণে এলপি স্কুলৰ বাহিৰে অন্য পথ নাথাকে । ঠিক সেইদৰে যিবিলাক গাঁৱত বা গাঁৱৰ ওচৰত তেনে হাইস্কুল নাই সেইসকলৰ লৰা ছোৱালীয়েও ৮/১০ মাইল খোজকাঢ়ি পঢ়িব লগীয়া হয় কিন্তু এইদৰে ৮/১০ মাইল খোজকাঢ়ি শিক্ষা লাভ কৰাটো ছাত্ৰৰ বাবে সম্ভৱপৰ নহয় । সেইদৰে আজি যিসকল মাননীয় সদস্যই বাগানৰ ভোট লৈ ইয়াত প্ৰতিনিধিত্ব কৰিছে সেইসকলে এই ৩০ বছৰে বাগানৰ জনসাধাৰণক ভোট দিয়াৰ কামত ব্যৱহাৰ কৰাৰ বাহিৰে শিক্ষা-দিক্ষাৰ যে সুবিধা কৰি দিব লাগে সেইকথা অলপো চিন্তা নকৰে । কেৱল তেওঁলোকে অশিক্ষিত হৈ থাকিলে

ফুচুলাই ৰা মদ খোৱাই ভোটখিনি আনিব পাৰিম-সেইকথাহে চিন্তা কৰে। গতিকে আজি এই গোটেইবিলাক কাম জনসাধাৰণৰ শিক্ষা নোহোৱাৰ কাৰণে হৈছে। সেইকাৰণে এতিয়া সদনৰ মজিয়াত শিক্ষাৰ কাৰণে যিটো প্ৰস্তাৱ উত্থাপন কৰিছে, তাত সকলোৱে সমৰ্থন কৰিব বুলি মই আশা ৰাখিছো। কাৰণ শিক্ষাত যদি আগবঢ়া নহয়, তেন্তে দেশৰ উন্নতি আশা কৰিব নোৱাৰি।

তাৰোপৰি এখন স্বাধীন দেশত শিক্ষাত যিটো পাঠ্য ক্ৰম হব লাগিছিল সেইটো এতিয়াও হোৱা নাই। এই বিষয়ত এতিয়াও এক্সপেৰিমেণ্টহে চলি আছে। আজি মুখ্যমন্ত্ৰী নিজে শিক্ষাৰ দায়িত্বত থাকিও এইটো সমস্যা সমাধান কৰিব পৰা নাই। আজি কলেজ বিলাকত বহুতো প্ৰফেচাৰ লাগে—কিন্তু চৰকাৰে নিয়ম কৰিছে যে অনাৰ্চ নাথাকিলে প্ৰফেচাৰ হব নোৱাৰে। আনফালে কলেজবিলাকত অনাৰ্চ ক্লাচ খুলিবলৈ সুবিধা কৰি দিয়া নাই। ডিচ্‌টিংচন লৈ মানুহবোৰে চাকৰি কৰিব লগীয়া হৈছে। য'ত কলেজ পাতি দিছে তাত আইন কৰি কলেজ বা হাইস্কুলত শিক্ষক থাকিবলৈ সুবিধা কৰি দিয়া নাই। তাৰ ফলত বৰ্ত্তমানৰ থকা শিক্ষা ব্যৱস্থা সম্পূৰ্ণ অন্তৰায় হৈ পৰিছে। ছাত্ৰছাত্ৰীসকলে স্নাতক শিক্ষা লাভ কৰি অট'ৰিক্সা বা ট্ৰেন্সপৰ্টৰ ড্ৰাইভাৰ হব লগীয়া হৈছে। তেওঁলোকে অট' চলাই যিখিনি দেশৰ কাৰণে সেৱা কৰিলে তাৰ বিনিময়ত তেওঁলোকৰ অৱস্থা কি হৈছে সেইটো আমি সকলোৱে দেখিছো —সেইবিলাকৰ মানসিক উত্‌কৰ্ষ সাধনৰ বাবে কোনো বিকল্প ব্যৱস্থা নকৰিলে। তাৰ ফলত দেখা গৈছে যে এই ১২ বছৰে কংগ্ৰেছে যি শাসন কৰিলে সেইটো টোগলকী শাসন ব্যৱস্থা কৰিছে। কাৰণ প্ৰাথমিক স্কুলবিলাকত প্ৰি-প্ৰাইমেৰী শিক্ষা প্ৰচলন কৰাৰ কথা আছিল। তাত লৰাছোৱালী ৫।৬ বছৰ হলে পঢ়িব নোৱাৰে। আনফালে ৬ বছৰ নহলে এলপি স্কুলবিলাকত নাম ভৰ্ত্তি কৰিব নোৱাৰে—লৰাই পঢ়িব ক'ত। যি এখন অসমীয়া প্ৰি-প্ৰাইমেৰী স্কুল কৰি দিছে তাতেই সমষ্ট লৰা-ছোৱালী পঢ়াটো সম্ভৱ নহয়। গতিকে

এইটো টোগলকী শাসন হৈছে। তাৰোপৰি যোৱা বছৰ যিসকলে মেট্ৰিক পৰীক্ষা দিছে—সেইসকলৰ ভিতৰত ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণীত পঢ়া লৰা-ছোৱালীয়েই বেছি। গতিকে তেওঁলোকে কি ধৰণে পৰীক্ষা দিছে সেইটো কোৱা টান। গতিকে এই বিষয়ত বহুতো স্ক্ৰুটিনি কৰিব লগীয়া আছে।

মাননীয় অধ্যক্ষ আপুনি শেষ কৰিছে নে?

শ্ৰীকোমেশ্বৰ বৰা—শেষ নকৰো নেকি?

Mr. Speaker—The House stands adjourned till 10 A. M. tomorrow.

## ADJOURNMENT

The House rose at 5 P. M and stood adjourned till 10 A. M on Wednesday, the 27th April, 1977.

Dated Dispur P. D. Barua
Secretary,
The 26th April, 1977 Assam Legislative Assembly